চান্দমামা

এপ্রিল ১৯৯৪



everest/93/PP/217-as

চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এচ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

গৌতম গোস্বামী
৭/৪/১৯৯৪

চান্দমামা

*

এপ্ৰিল ১৯৯৪

এই * আছে
সংখ্যাত

*

সাৰ্বিক শিক্ষা :	:	৭
মহামস্তকাভিষেক	:	৯
দৈৱীশক্তিৰ অসাৰতা	:	১১
বীৰশ্ৰেষ্ঠ	:	১৬
অভিশপ্ত পুষ্প	:	১৭
ৰঘুমৰা	:	২৫
কয় এক, কৰে আন	:	৩১
চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৩
সমাজ-সংস্কাৰক	:	৩৭
সম্বাদ-বিচিত্ৰা	:	৪১
সাধাৰণ-অসাধাৰণ	:	৪২
বীৰ হনুমান	:	৪৫
এক অন্য জগত	:	৫৩
বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

*

আৰু

ফটো প্ৰতিযোগিতাৰ পুৰস্কাৰ পৃঃ—৬৫

Now Writing is a pleasure

with LION Novelty

Introducing the winning edge

NEW RANGE OF FANCY PENCILS.

Lion's **Novelty** Pencils have **Mythologies** from the **Ramayan, Mahabharat** and **Shri Krishna Leela** in colourful pictures. Making it interesting and easier for children to understand ethics.

Decorative pencils with **Birthday** Greeting messages, **Rainbow** colours and **Alphabets** are a silent language of love.



Pencils with action-packed pictures of the **Turtles, Hi.... Cat** and **Ping Pong** brim **'YOUNG SMARTIES'** with overpowering confidence.



LION **PINKY** PENCILS

Pinky, the charming beauty garbed in floral attire is all ready to allure every young boy and girl in town. She has claimed 'The Beauty And The Brain Pencil' title already.



Manufactured by
LION PENCILS LTD.,
MARKETING DIVISION
95, PARIJAT, MARINE DRIVE, BOMBAY-400 002. TEL: 296856, 2089926

National-960

I shared my homework. And some maths. Did some patterns. Shared my Mortons.

MORTON
SWEETS

We enjoy our School days....and Lunch Breaks more so with Mortons which we share. It has been our Family's favourite for years and years. Delicious and yummy in so many flavours. All with the goodness of Creamy Milk, Glucose and Sugar. Chocolate and Coconut Cookies, Rose Eclairs, Supreme Chocolate and Coconut Toffees, Lacto Bonbons, Mango King and so many other delicious treats. Um m m m m. Every bite a yummy delight.

A lifetime of real goodness

MORTON CONFECTIONERY & MILK PRODUCTS FACTORY
P.O. : Marhowrah 841 418. Dist. : Saran, Bihar

CC/M-2/93

Caution Notice: MORTON and its wrappers are registered trade mark of Upper Ganges Sugar & Industries Ltd. Any infringement of trade mark rights is liable to prosecution.

চান্দমামা

সংস্থাপক ঃ চ ক্র পা ণি সঞ্চালক ঃ বি নাগিৰেড্ডি

সাৰ্বিক শিক্ষা ঃ একবিংশ শতিকা

'সকলোৰে বাবে শিক্ষা'ৰ আঁচনিৰ সঠিক প্ৰয়োগ কেনেকৈ কৰিব পাৰি তাৰ বাবে পৃথিৱীৰ সৰ্বাধিক জনসংখ্যাযুক্ত ন'খন দেশৰ শীৰ্ষ-সন্মিলন পতা হৈছিল দিল্লীত। পৃথিৱীৰ সৰ্বাধিক জনসংখ্যা-যুক্ত ন'খন দেশ হ'ল যথাক্ৰমে—বাংলাদেশ, ব্ৰাজিল, চীন, মিছৰ, ইন্দোনেজিয়া, মেক্সিকো, নাইজিৰিয়া, পাকিস্তান আৰু ভাৰত।

মূল প্ৰস্তাৱত সকলোটিয়েই একমত ঃ সকলো স্বাক্ষৰ হওক, শিক্ষিত হওক। কিন্তু তাৰ প্ৰয়োগ যে কেনেকৈ কৰা হ'ব, সেই কথাৰহে যথাযোগ্য উপায়হে বিচাৰি উলিয়াব পৰা নাই।

প্ৰথম কথা হ'ল—এই আঁচনিৰ সাৰ্থক ৰূপায়ণৰ বাবে লগা নৰ বন্দৱস্ত। এওঁলোকে এই মহৎ কৰ্মটিৰ বাবেও ওৱাৰ্ল্ড ব্যাংক আৰু ইনটাৰন্যাশ্বনাল মানিটাৰি ফাণ্ড অৰ্থাৎ আই. এম. এফ.-অৰ দ্বাৰস্থ হৈছে। উক্ত অনুষ্ঠানদ্বয়ে সহায় কৰাৰ কথাত স্বীকৃতি জ্ঞাপন কৰিও—প্ৰতিখন দেশে নিজ নিজ দেশৰপৰা এই কামৰ বাবে ধন ব্যয় কৰিব পৰা অৱস্থাৰ সৃষ্টি কৰাৰ ওপৰত 'জোৰ দিছে আৰু এই আঁচনিক সফল কৰি তুলিবলৈ স্বাৱলম্বী হ'বলৈ উপদেশ দিছে। দিল্লীৰ শীৰ্ষ-সন্মিলনে ওৱাৰ্ল্ড ব্যাংক আৰু আই. এম, এফলৈ পুনৰ বিবেচনা কৰি চোৱাৰ বাবে আবেদন জনাইছে।

এই বিষয়ে আলোচনা কৰি সিদ্ধান্ত গ্ৰহণৰ বাবে ভাৰতৰ প্ৰতিখন ৰাজ্যৰ মুখ্যমন্ত্ৰীক আমন্ত্ৰণ কৰি কোৱা হৈছে যে—অনাগত একবিংশ শতিকাত ভাৰতৰ 'প্ৰত্যেকৰ বাবে শিক্ষা'ৰ পৰিকল্পনা বাস্তৱত কেনেকৈ প্ৰয়োগ কৰা যায়—তাৰ উপায় ভাবি উলিয়াওক।

আহক—আমিও শিক্ষাৰ বিষয়ে অলপ ভাবোঁ।

বছৰ ঃ ১৯ এপ্ৰিল ১৯৯৪ সংখ্যা ঃ ১

খনে ৪·০০ টকা ঃ ঃ বছৰেকীয়া বৰঙনি ৪৮·০০ টকা

পোলিঅ'প্লাছ

শিশুহঁতলৈ
ব্যাধিবিহীন মুক্তজীৱনৰ
সুস্পষ্ট আশ্বাস

কেতিয়া কিমান ছিটা দিব লাগিব



ছিটা কেতিয়াৰপৰা আৰম্ভ কৰিব	ছিটাৰ নাম	ৰোগৰ নাম	কিমান বাৰ দিব লাগিব
জন্মৰ লগে লগে	**বি ছি জি**	**যক্ষ্মা**	এবাৰ মাথোন
৬ সপ্তাহ	**পোলিঅ'**	**পোলিঅ'**	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৬ সপ্তাহ	**ডি পি টি**	**ডিপথেৰিয়া** **পার্টুছিছ** (আজোৰা কাহ) **টেট্যানাছ** (ধনুষ্টংকাৰ)	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৯ মাহ	**মিজলজ**	সৰু আই	এবাৰ মাথোন

জন্মৰ বাৰ মাহৰ ভিতৰতে শিশুক সকলো ধৰণৰ ছিটা সম্পূৰ্ণকৈ দিব লাগিব।



গৰ্ভৱতীসকলে গৰ্ভধাৰণৰ শেষৰ ফালে দুবাৰ টেট্যানাছ (টি টি) ছিটা লোৱা আৱশ্যক। প্ৰথমবাৰ ছিটা লোৱাৰ এমাহৰ অন্তত দ্বিতীয়বাৰ ল'ব।

সুস্থ শিশু—জাতিৰ আশা আৰু গৌৰৱ

পৃথিৱীৰ খিৰিকীৰে :

মহামস্তকাভিষেক

কুম্ভমেলা আৰু গোদাবৰী পুষ্কৰ-মেলাৰ দৰে বাহুবলী মহামস্তকাভিষেক-মহোৎসৱও প্ৰতি বাৰ বছৰত এবাৰকৈ কৰ্ণাটকৰ হাছান জিলাৰ শ্ৰাৱণবেলাগোলা নামৰ স্থানত অনুষ্ঠিত হয়। তাত ইন্দ্ৰগিৰি পাহাৰত আছে বাহুবলীৰ মূৰ্তি। এচটা অভগ্ন শিলেৰে সজা এই মূৰ্তি হ'ল পৃথিৱীৰ সৰ্বোচ্চ মূৰ্তি। ৯৮১ খৃষ্টাব্দত এই মূৰ্তি প্ৰতিষ্ঠিত হৈছিল। বিংশ শতিকাত সৰ্বমুঠ সাতবাৰ মহামস্তকাভিষেক উৎসৱ পালিত হৈছিল। এই শতিকাৰ শেষতম এই উৎসৱ ১৯৯৩ চনৰ ১৯ ডিচেম্বৰৰ দিনা মহাসমাৰোহেৰে উদযাপিত হৈছিল। মূৰ্তি প্ৰতিষ্ঠাৰ ৮৫ তম বাৰত অসংখ্য ভক্তজনৰ সমাবেশত এই পৰম প্ৰাৰ্থিত উৎসৱ পালন কৰা হৈছিল। শুভ গ্ৰহ-নক্ষত্ৰ চাই এই মহোৎসৱৰ আয়োজন কৰা হৈছিল।

চৌবিছগৰাকী তীৰ্থংকৰৰ মাজত মহাবীৰ আছিল সৰ্বশেষ তীৰ্থংকৰ। মহাবীৰ তীৰ্থংকৰেই জৈন মতবাদৰ প্ৰতিষ্ঠাতা। প্ৰথম তীৰ্থংকৰ আদিনাথ ঋষভদেৱ ৰজা আছিল। তেওঁ ইহলোকৰ সকলো বন্ধন ছিন্ন কৰিছিল আৰু জ্যেষ্ঠপুত্ৰ ভৰতক অযোধ্যা ভূখণ্ড প্ৰদান কৰিছিল। দ্বিতীয় পুত্ৰ বাহুবলীক দিছিল পোদানপুৰ। কিন্তু ভৰতৰ মনত বাহুবলীক ৰাজ্যচ্যুত কৰাৰ দুৰাশাই মূৰ দাঙি উঠিল আৰু এই দুৰাশাৰ কথা জানি বাহুবলীও ক্ৰুদ্ধ হৈ উঠিল। উভয় পক্ষৰ সৈন্যইতৰ মাজত যুদ্ধ লাগোঁ লাগোঁ হ'ল। উভয় পক্ষৰ মন্ত্ৰীসৱে এই যুদ্ধৰূপী গৃহযুদ্ধক বহু চেষ্টাৰে ৰখালে আৰু যুদ্ধত যে নিৰৰ্থক ৰক্তক্ষয় হ'ব—সেই কথা দুয়োকো বুজালে। মন্ত্ৰীসকলৰ কথাত উভয়ৰ ক্ৰোধ প্ৰশমিত হ'ল আৰু উভয়েই যুক্তিৰ আগত মূৰ দোঁৱালে আৰু যুদ্ধ সৈন্যসকলৰ মাজত নোহোৱাকৈ হ'ব লাগিব ভাই-ককাইৰ মাজত; হ'ব মল্লযুদ্ধ, জলযুদ্ধ আৰু মুষ্টিযুদ্ধ। যিজনে তিনিও যুদ্ধতে জিকিব—তেওঁকে বিজয়ী বুলি গণ্য কৰা হ'ব।



তিনিওবিধৰ যুদ্ধতে ভৰত পৰাজিত হ'ল। বাহুবলীয়ে ভৰত থেকেচিবলৈ শূন্যলৈ দাঙিও কিবা কাৰণত ৰৈ দিলে। বাহুবলী তিমানতে শান্ত শীতল হৈ পৰিছিল। তেওঁৰ জ্ঞানোদয় হৈছিল। দুৰাশা আৰু দৰ্পৰ চিকাৰ হৈ তেওঁ ভ্ৰাতৃবধজনিত কাৰ্য্যতো অগ্ৰসৰ হৈছিল—এই চিন্তাই তেওঁক খুলি খুলি খাবলৈ ধৰাত—অকস্মাৎ তেওঁ ৰাজ্য ত্যাগ কৰি

আৰু আনকি ৰাজত্বৰ মোহ তথা সাংসাৰিক মোহ ত্যাগ কৰি কোনোবা অজ্ঞাত ঠাইলৈ গুচি যাবলৈ প্ৰস্তুতি ল'লে।

ভৰতে অনুতপ্ত হ'ল। তেওঁ বাহুবলীক সংসাৰ ত্যাগ নকৰিবলৈ টানি ক'লে। কিন্তু বাহুবলীয়ে কোনো কথা নুশুনি, নিদ্ৰাহাৰ ত্যাগ কৰি কেইবামাহো ধৰি থিয়ৈ থিয়ৈ তপস্যা কৰি থাকিল। তেওঁৰ চাৰিওকাষত গছ-বন উপজিল।

ভৰতে পুনৰ তেওঁৰ ভায়েক বাহুবলীক ক'লে, "হে শ্ৰমণ! কোনো তোমাৰো নহয়, মোৰো নহয়।"

কিন্তু বাহুবলী খোপি নিৰুত্তৰ।

চাওঁতে চাওঁতে বহুদিন পাৰ হৈ গ'ল। কিছুদিনৰ অন্তত বাহুবলীৰ মোক্ষলাভ হ'ল। ভৰতে বাহুবলীৰ এক স্বৰ্ণমূৰ্তি সাজিলে আৰু সেই স্বৰ্ণ বাহুবলীক পোদনপুৰত স্থাপন কৰিলে।

দশম শতিকাত গংগা বংশৰ দ্বিতীয় ৰাচমলৰ চামুণ্ডৰায় নামৰ এগৰাকী প্ৰধানমন্ত্ৰী তথা সেনাধিপতি আছিল। চামুণ্ডৰায়ৰ মাতৃ কল্লাল দেৱীয়ে বাহুবলীৰ স্বৰ্ণমূৰ্তি দৰ্শন কৰিবলৈ ইচ্ছা প্ৰকাশ কৰাত পুত্ৰই তেওঁক লগত লৈ ওলাল। সেই স্বৰ্ণমূৰ্তি আছিল ইন্দ্ৰগিৰি আৰু চন্দ্ৰগিৰি নামৰ পৰ্বতৰ সিপাৰে।

গৈ গৈ তেওঁলোকে এই পৰ্বতদ্বয়ৰ নামনিতে তম্বু তৰিলে আৰু সেই নিশা মাতৃ আৰু পুত্ৰই একেই সপোন দেখিলে। সপোনত কুস্মন্দিনী দেৱীয়ে মাতৃক আৰু পুত্ৰকো দেখা দি ক'লে, "তোমালোক পোদনপুৰত স্বৰ্ণমূৰ্তি দেখা নাপাবা। চন্দ্ৰগিৰিত থিয় হৈ ইন্দ্ৰগিৰিলৈ স্বৰ্ণ বাণনিক্ষেপ কৰা।"

পাছদিনা, ৰাতি পুৱাৰ লগে লগে চামুণ্ডৰায়ে দেৱীয়ে কোৱা মতে কাম কৰিলে আৰু বহু দূৰৈত বাহুবলীৰ মূৰ্তি দেখা পালে।

পাছত চামুণ্ডৰায় অৰিষ্টনেমি নামৰ এগৰাকী শিল্পীৰ নেতৃত্বত এচটা অভগ্ন শিলেৰে বাহুবলীৰ মূৰ্তি সাজিলে আৰু ৯৮১ চনৰ ২৩ মাৰ্চৰ দিনা ইন্দ্ৰগিৰিত অতি সমাৰোহেৰে সৈতে এই মূৰ্তিৰ প্ৰতিষ্ঠা কৰিলে।

স্বয়ং চামুণ্ডৰায়েই প্ৰথম মহামস্তকাভিষেক মহোৎসৱ অনুষ্ঠিত কৰিছিল। সকতে চামুণ্ডৰায়ক 'গোমত' বুলি মতা হৈছিল। 'গোমত'ৰ অৰ্থ হ'ল—'সুন্দৰ'।

সেই কাৰণে তেওঁ সজা বাহুবলীৰ এই মূৰ্তিৰ নাম হ'ল—'গোমতেশ্বৰ'।

এই মূৰ্তি ৫৭ ফুট ওখ। এই মূৰ্তি শান্ত সমাহিত অহিংসাৰ জৱন্ত প্ৰতিমূৰ্তি। এই মূৰ্তিৰ পাদদেশত এটি সুবিশাল সৰোবৰ আছে। এই সৰোবৰটিক কন্নড় ভাষাত 'বেলগোলা' বুলি কয়। গোমতে অৰ্থাৎ চামুণ্ডৰায়ে সজা এনে অপূৰ্ব ভাস্কৰ্য্যমূৰ্তি ভাৰতত অৰ্থাৎ পৃথিৱীতো অতি বিৰল।

অভিষেক-পদ্ধতি

অভিষেক তথা পূজাৰ কাৰ্যক্ৰম কমেও এবছৰ আগৰেপৰাই আৰম্ভ কৰা হয়, কিন্তু 'অভিষেক' সমাপ্ত হওঁতে মাত্ৰ ছ ঘণ্টা সময়ৰ আৱশ্যক হয়। প্ৰথমে মূৰ্তিক কুঁহিয়াৰৰ ৰসেৰে, গাখীৰেৰে আৰু বিভিন্ন লতা-গুল্মৰ ৰসেৰে তিওৱা হয়। তাৰ পাছত মূৰ্তিৰ পাদদেশত সৰোবৰৰ আৰু ভাৰতৰ বিভিন্ন নৈৰপৰা কঢ়িয়াই অনা ১০০৮ কলস পানীৰে অভিষেক কৰা হয়। অধিকন্তু. তিনি-বিধৰ সুগন্ধি চন্দনেৰে আৰু বিধোবিধ পুষ্পেৰে মস্তকাভিষেক অনুষ্ঠান কৰা হয় আৰু পাছত সাধাৰণ জল-ধাৰাৰে মূৰ্তিপৰিষ্কৃত কৰা হয়।

দৈৱীশক্তিৰ অসাৰতা

নামত গীতপুৰ, কিন্তু তাত যাক বোলে বোলে সংগীতবিদ—এজনো নাই। আছে এখন দোকান, বাদ্যযন্ত্ৰৰ দোকান। ঢোল খোল বাঁহী বীণা—যি লাগে পোৱা যাব। দোকানৰ বুঢ়া মালিক ৰংগনাথে বাদ্যযন্ত্ৰৰ গুণগত উৎকৰ্ষতালৈ চোকা দৃষ্টি দিয়ে আৰু ভালেমান যন্ত্ৰ নিজ হাতেৰেই বনায়।

গীতপুৰ গাঁৱৰপৰা দুই-আঢ়ৈ ক্ৰোশ-মান নিলগত থকা সৰু সৰু পাহাৰৰ সমদল। সেইবোৰ পাহাৰৰ নামনিত থকা গছে-বনে ভৰপূৰ হৈ থকা হাবিৰপৰা বাদ্যযন্ত্ৰৰ বাবে বিধেবিধ গছ কাটি লৈ আহিছিল ৰংগনাথে। এতিয়া ৰংগনাথ বুঢ়া হ'ল, পুতেক মুৰলীয়ে আনেগৈ। ভালৰো ভাল বাদ্যযন্ত্ৰ বনোৱাৰ কাৰণে গীতপুৰৰ বাদ্যযন্ত্ৰৰ দোকানৰ নাম গাঁৱৰ সীমা পাৰ হৈ ৰাজধানীও পাইছিলগৈ। আৰু সেইহে, এদিন ৰজাৰ মানুহ এজন আহিল এই দোকানলৈ: ৰাজকুঁৱৰীক ভালৰো ভাল বীণা লাগে।

মুৰলীয়ে ৰজাৰ মানুহজনক ক'লে, ভাল বীণা দোকানত এতিয়া নাই, বনাব লাগিব, দুমাহমান সময় লাগিব। বীণা বনাই মই নিজেই লৈ যাম, ৰাজকুঁৱৰীক এই কথাখিনি বুজাই ক'বগৈ।"

পাছদিনাই, লগত মানুহ এজনক লৈ, ৰাজকুঁৱৰীৰ বীণাৰ বাবে লগা চেগুণ এজোপা কাটি আনিবলৈ সেই হাবিলৈ গ'ল মুৰলী। কিন্তু বহুতোপৰলৈকে থকাৰ পাছতো চেগুণ এজোপা বিচাৰি উলিয়াব নোৱাৰি যেতিয়া পুনৰ ঘৰমুৱা

দিলীপ বৰগোহাঞি



হ'ল—ঠিক তেতিয়াই অতি ধুনীয়া চেগুণ এজোপা এঠাইত দেখা পালে। কিন্তু চেগুণজোপাৰ ঠাৰি আৰু পাতবোৰ কিয় যে ইমান ঘন—ঠাৱৰ কৰিব নোৱাৰি কিছু আচৰিতেই মানিলে।

ৰি কি নহওক, লগৰ মানুহজনক যেতিয়া গছজোপা কাটিবলৈ ক'লে আৰু মানুহজনে কুঠাৰ দাঙিলে, তেতিয়া এক নাৰীকণ্ঠই অকস্মাৎ কৈ উঠিল, "ৰ'বা, মোৰ নিবাসস্থল নষ্ট নকৰিবা।" এই বুলি কৈয়েই এগৰাকী দেৱীয়ে সিহঁতৰ আগত দেখা দিলে আৰু পুনৰ ক'লে, "মই বহু বছৰৰপৰা ইয়াত আছোঁ। এই গছজোপা কিয়—কি কামৰ কাৰণে কাটিব লগা হৈছে—কোৱাচোন?"

মুৰলীয়ে দেৱীক সঁচা কথাখিনিকে ক'লে: ৰাজকুঁৱৰীক ভালৰো ভাল বীণা লাগে, আৰু ভাল বীণা বনাবলৈ লাগে এজোপা ভালৰে ভাল চেগুণ গছ।

দেৱীয়ে ক্ৰুদ্ধকণ্ঠেৰে ক'লে, "কেৱল বীণা এপাট বনাবলৈ এজোপা বৃক্ষৰ তথা মোৰ নিবাসস্থলৰ সৰ্বনাশ কৰিব লাগিব?" এই বুলি কৈয়েই দেৱীয়ে তেওঁৰ হস্ত প্ৰসাৰিত কৰিলে আৰু চকুৰ পচাৰতে সুদৃশ্য বীণা এপাট তেওঁৰ হাতত দেখা গ'ল। এই বীণা দেখাত অতি বিচিত্ৰ আৰু আশ্চৰ্য্য মনোহৰ।

দেৱীয়ে মুৰলীক ক'লে, "এই বীণা অতি মহিমাৱান বীণা। যেই সেই-মানুহেই—যিজনে এদিনৰ কাৰণেও গীত বাদ্য শিকা নাই—তেনেকুৱা মানুহেও এই বীণা অনায়াসে বজাব পাৰিব। মাত্ৰ বাদন আৰম্ভ কৰাৰ আগতে দেৱী সৰস্বতীৰ ধ্যান কৰিব লাগিব। কিন্তু দুটা বিশেষ ৰাগৰ বিষয়ে সতৰ্ক হ'ব লাগিব। কোনোবা পুৰুষে যদি এই মহিমাৱান বীণাত মোহনৰাগ বজায়, তেওঁ সোঁৱৰা নাৰীয়ে তেওঁক প্ৰেমাবদ্ধ কৰিবহি। আৰু যদি বৰুণৰাগ বজায়--

মুষলধাৰে বৰষুণ দিব। আৰু এটা কথা। যিমান দিনলৈ মই এই চেপুণজোপাত থাকিম, মাত্ৰ সিমান দিনলৈহে এই বীণা মহিমাৱান হৈ থাকিব। মনত ৰাখিবা—কোনোবা ৰাগ-ৰাগিণী বজাই থাকোঁতে যদি অন্য ৰাগ-ৰাগিণীৰ ঝংকাৰ তুলিছা—ভয়ানক দুৰ্ঘটনা ঘটিব পাৰে।"

এই বুলি কৈ, দেৱীয়ে সেই বিচিত্ৰ বীণা মুৰলীক দিলে আৰু তৎক্ষণাৎ তাৰপৰা অদৃশ্য হ'ল।

মুৰলীয়ে ভাবিলে: এই বীণাত মোহনৰাগ বজাই মই দেখোন মন কৰিলে দেশৰ ৰাজকুঁৱৰীকো পাব পাৰিম। আৰুনো কি লাগিছে মোক?

কিন্তু মুৰলীৰ এই আবেগ বেছিপৰলৈ স্থায়ী নহ'ল। লগৰ মানুহজনে কৈ উঠিল, "মালিক, বেলি লহিয়াবৰ হ'ল। গতিকে—এই হাবিবপৰা ওলাই গ'লেহে কিজানি ভাল হ'ব।"

মুৰলীয়ে ক'লে, "আঁ—? ঠিক। ঠিকেই কৈছা, এতিয়া ঘৰমুৱা হ'ল লাগে। কিন্তু তোমাৰ কথা এটা কওঁ শুনা, এই মহিমাৱান বীণাৰ বিষয়ে কাকো একো নোকোৱা যেন।"

কিন্তু ঘৰ পায়েই মানুহজনৰ পেট আৰু চলিল্‌ মানুহজনে কথাটো তাৰ ঘৈণীয়েকক কৈহে স্বস্তি লভিলে। অৱশ্যে সিতাৰ ঘৈণীয়েকক টানি কৈ দিলে বীণাৰ কথাটো





কাকো নক'বলৈ। যদিও—তাৰ ঘৈণীয়েকে ৰাতিটো পুৱাৰ লগে লগেই চুবুৰীয়াক, চুবুৰীয়াই সিহঁতৰ চুবুৰিত, আৰু চুবুৰিয়ে গোটেইখন গাঁৱত কৈ নিজ নিজ কৰ্তব্য সুচাৰুৰূপে সামৰিলে।

মুৰলীয়ে যেতিয়া টোপনিৰপৰা সাৰ পালে, তেতিয়া সিহঁতৰ ঘৰৰ চোতালখনত মানুহেই মানুহ। কথা কি—? আৰুনো কি?—দেৱী-প্ৰদত্ত বিচিত্ৰ বীণা চাব, আৰু বাদনো শুনিব।

সিহঁতৰ ঘৰৰ আগত ইমান মানুহ গোট খোৱা দেখা পায়েই মুৰলীয়ে কথা কি—তাৰ উমান পাইছিল। মূৰলী বৰ বিব্ৰত হ পৰিলৈ।

এই মানুহখিনিৰ মাজত মহিমা-তহিমাত মুঠেই বিশ্বাস নথকা যুৱক এজনে কৈ উঠিল, "আৰুনো পলম কিহলৈ? মহিমা থকা বীণাৰ মহিমা বজাই শুনোৱা, ৰাইজকো আনন্দ দিয়া, আৰু ৰাজকুঁৱৰীক খুছি কৰি বিয়া কৰাই দেশৰ ৰজা হোৱা।"

যুৱকৰ ইতিকিং সহিও—জনতাৰ অনুৰোধত আৰু বিশেষকৈ এই অবিশ্বাসী যুৱকক শিক্ষা দিবলৈ—মুৰলীয়ে দেৱী-প্ৰদত্ত সেই বীণা ঘৰৰ ভিতৰৰপৰা লৈ আহিল আৰু ঘৰৰ বাৰান্দাত বহি একমনে সৰস্বতী দেৱীলৈ আৰাধনাৰ অন্তত বজাই থাকিল—মোহনৰাগ। মোহনৰাগৰ মহিমাৰে ৰাজকুঁৱৰী নিশ্চয় প্ৰভাৱিত হ'ব আৰু কাষ এদিন নহয় এদিন মুৰলীৰ চাপিবই। কিন্তু—মোহনৰাগ বজাই থাকোঁতেই বীণাৰ তন্ত্ৰীত থকা তাৰ আঙুলিবোৰ কেতিয়া যে বৰুণ-ৰাগলৈ বাগৰিল, সেই কথা মুৰলীয়ে নিজেও ক'ব নোৱাৰে।

কিন্তু অকস্মাৎ যেতিয়া মেঘৰ গাজনি বিজুলী ঢেৰেকনিৰে সৈতে মুষলধাৰে বৰষুণ নামিল, তেতিয়াহে মুৰলীয়ে তাৰ ত্ৰুটিৰ বিষয়ে সচকিত হ'ল।

"জহকালি কিহৰ কাৰণেনো ইমান

ধুমুহা-বৰষুণ ?" এই বুলি কৈ কৈ তাত থকা মানুহখিনি তাৰপৰা তৎক্ষণাৎ ঘৰাঘৰি গুচি গ'ল।

বৰষুণে সঁতা ধৰিলে, মেঘৰ গাজনিয়ে চতুৰ্দিশ প্ৰকম্পিত কৰিলে, বিজুলী-ঢেৰেকনিয়ে অবিশ্ৰাম ভয়ংকৰ আৱাৰৰে ধ্বনিত হ'বলৈ ধৰিলে! আৰু হঠাৎ বহু দূৰত—ক'ৰবাত মহানিনাদৰে সৈতে এক প্ৰলয় বজ্ৰপাতৰ শব্দ উঠিল।

আৰু ঠিক তেতিয়াই মুৰলীয়ে তাৰ কোলাত বীণাৰ সলনি বিৰাট ফেঁট তোলা সাপ এটা দেখা পাই জঁপ মাৰি থিয় হ'ল, আৰু লগে লগে সেই সাপটোৱে উৰা মাৰি আকাশলৈ উধাও হ'ল।

হৈ-চৈৰ শব্দ শুনি মুৰলীৰ দেউতাক বৃদ্ধ ৰংগনাথ ঘৰৰ তিভৰৰপৰা বহু কষ্টে ওলাই আহিল, আৰু তেওঁ তেওঁৰ পুতেকক কি হ'ল বুলি সোধাত মুৰলীয়ে সকলো বৃত্তান্ত তাৰ দেউতাক কভাঙি-পাতি ক'লে।

সকলো কথা শুনাৰ অন্তত দেউতাকে ক'লে, "হাৰে মুৰলী, তোমাৰ আচৰণ আমাৰ বৃত্তি-ধৰ্মৰ একেবাৰে বিপৰীত। দৈৱী-শক্তিৰ দুৰাশা মনৰপৰা জোকাৰি পেলোৱা। আত্মশক্তিৰ অৱমাননা কৰি নিজক আৰু আমাৰ সাতাম-পুৰুষীয়া বৃত্তিক কলংকিত নকৰা, নিজক হাঁহিয়াতৰ পাত্ৰ নকৰা। আজিয়েই আকৌ বনলৈ গৈ বীণাৰ কাৰণে যোগ্য কাষ্ঠ বিচাৰি আনি নিজ হাতেৰে বীণা বনাই ৰাজকুঁৱৰীক দি আহাঁগৈ।"

পাছদিনাই মুৰলী পুনৰ সেই হাবিলৈ গ'ল। তাত মুৰলীয়ে এক আচৰিত দৃশ্য দেখা পাই বৈ দিলে। দেৱীৰ নিবাসস্থল সেই সুদৃশ্য চেগুণজোপা বজ্ৰপাতেৰে পুৰি ভস্ম হৈ গৈছিল।

মুৰলীয়ে তেতিয়া দৈৱীশক্তিৰ অসাৰতা অনুভৱ কৰি আত্মশক্তিৰে আকাশো ছানিব পাৰি বুলি উপলব্ধি কৰিলে।



বীৰশ্ৰেষ্ঠ

মগধৰাজ কৃতকীৰ্তিয়ে হেলাপুৰী আক্ৰমণ কৰিলে। কিন্তু মগধৰাজ পৰাজিত হ'ল। বিজয়ী হেলাপুৰীৰ ৰজাই সেনাধিপতিক আৰু অন্যান্য অনেক সৈনিককো মহাসমাৰোহৰে পুৰস্কৃত কৰিলে।

ইতিমধ্যে বিশেষ ঘটনা এটাৰ কথা শুনা গ'ল যে—বীৰবাহু নামৰ সাধাৰণ সৈন্য এজনে হেনো ৰণক্ষেত্ৰত এহেজাৰতকৈয়ো অধিক শত্ৰুসৈন্যৰ হাত আৰু ঠেংবোৰ কাটিলে। তাৰ পাছত—যুদ্ধ সমাপ্ত হোৱাৰ অন্তত—ৰাইজে বীৰ বীৰবাহুক সজাই- পৰাই সমদল উলিয়াই নাচি-গাই বীৰবাহুৰ অপাৰ বীৰতাৰ ইমানকৈ শলাগ ল'লে যে—সেই শলাগে ৰাজসভাৰ পুৰস্কাৰকো চেৰ পেলালে।

গাঁৱৰ অসংখ্য ৰাইজৰ আনন্দ-কোলাহলৰ মাজত বীৰবাহু যেতিয়া আনন্দত মগন, তেতিয়া কোনোবা এজনে বীৰশ্ৰেষ্ঠ বীৰবাহুক সুধিলে, "—কিন্তু বীৰবাহু, শত্ৰুসৈন্যবিলাকৰ মূৰ নাকাটি কেৱল হাত ভৰিখিনিহে কাটিলা কিয় ?"

বীৰবাহু ক্ষন্তেকৰ বাবে থমকি ৰ'ল, কিছু সময় ধৰি মোচত তাও দি থাকিল, আৰু তাৰ পাছত হঠাৎ কৈ উঠিল, "কথা হ'ল—মূৰ কটাৰ সুবিধা মই নাপালোঁৱেই, কিয়নো—শত্ৰুসৈন্যবিলাকৰ মূৰবোৰ আগতেই কটা গৈছিল।"



অভিশপ্ত পুষ্প

১১

[আগৰ কথা : নাগসিংহৰ নেতৃত্বত কিছুমান সৈন্য উ তুঙৰ সৈতে সমুদ্ৰী-ৰাক্ষসক খেদিবলৈ ওলাব বুলি নাগপুৰীৰ ৰজা মাহিনদাকুৱে স্থিৰ কৰি দিলে। এই দৰে নাগসিংহক সংকটত পেলাই ৰাজ্যৰ সংকট-ত্ৰাণৰ আশা কৰিছিল তেওঁ। কিয়নো—সমুদ্ৰী-ৰাক্ষসৰ ঘটনাত নাগসিংহ সমুদ্ৰৰ বুকুৰেদিয়েই সিপাৰ পাবগৈ পাৰে। কিন্তু ইপিনে—কাবুইৰ গৃহৰপৰা শতাব্দিকা পুষ্প নোহোৱা হোৱাৰ কথা শুনি ৰজা মাহিনদাকুৰ আঁচনি থমকি ৰ'ল। কাবুই, সেনাধিপতি, ৰজা—বিভ্ৰান্ত। আৰু তাৰ পাছত···]

"উ তুঙে নাগসিংহক কথাই কথাই কিছুখিনি শতাব্দিকা পুষ্প চুৰি হোৱাৰ কথা কৈছিল। গতিকে—তোমাৰ ঘৰৰপৰা এই চুৰি—নাগসিংহৰ ষড়যন্ত্ৰ বুলি ভাবানে ?" সেনাধিপতিয়ে সুধিলে।

কাবুইয়ে কেইক্ষন্তেকমান ভাবি লৈ ক'লে, "এই ফুল চুৰি কৰি নাগসিংহৰ কোনো লাভ আছে বুলি মই নাভাবোঁ।"

"তোমাৰ ধাৰণা মোৰো সঠিক যেনেই লাগিছে। যি কি নহওক—এতিয়া সমুদ্ৰ অভিযান স্থগিত থাকক। তুমি উ তুঙক অতিথিগৃহলৈ লৈ যোৱা।" কাবুইক সেনাধিপতিয়ে আদেশ দিলে।

পাছদিনা এজন ৰাজপ্ৰহৰী অতিথি-গৃহত থকা কাবুইৰ ওচৰলৈ আহি অভিবাদন জনাই ক'লে, "মাননীয় কাবুই ! দুগৰাকী

'নাগসিংহৰ চক্ৰান্তত উ তুং'



খোৱা হৈছে। নাওখনক টানি-চুচৰি সাগৰৰ পানীলৈ নিয়াৰ চেষ্টা কৰাৰ চিন তাত বালিৰ বুকুত দেখা পাইছোঁ। উ তুঙেই এই চেষ্টা কৰা বুলি ভাবিছোঁ।"

"নহয় আই, উ তুং—মোৰ লগতে ইয়াতে আছিল। গতিকে—"

ঠিক তেতিয়াই উ তুং অতিথিগৃহৰ কক্ষৰপৰা ওলাই কাবুইয়ে কথা পাতি থকা ঠাইলৈ আহিল। কাবুইয়ে লৰা-লৰিকৈ ক'লে, "হঁা, উ তুং, মোৰ লগত ব'লা।" তাৰ পাছত চিত্ৰাক ক'লে, "চিতিৰা, তোমালোক ইয়াতে থাকা। মই উভতি নহালৈকে নোলাবা।"

গাভৰু আপোনাক লগ ধৰিবলৈ—"

কাবুই তৎক্ষণাৎ কক্ষৰপৰা ওলাই আহিল আৰু কৈ উঠিল, "আই! চিতিৰা! তুমি ইয়ালৈ—কথানো কি!"

"পিতাশ্ৰী—" চিত্ৰাই কাবুইৰ কাষ চাপি আহি গুন-গুনকৈ ক'লে, "যিখিনি ফুল চুৰি হৈছিল, সেইখিনি পোৱা গ'ল।"

"অঁা! কি ক'লা?" বিস্মিত কাবুই।

"হয়, পিতাশ্ৰী, পোৱা গ'ল। আমি সদায় ওলোৱাৰ দৰে আজিও সাগৰ বালিলৈ ওলাইছিলোঁ।—আৰু ফুলখিনি তাতেই আমি দেখা পালোঁ। তাত পৰি থকা নাওখনত ফুলখিনি ভালকৈ বান্ধি

বাটত কাবুইয়ে উ তুঙক সকলো কথা ক'লে। শুনি উ তুং অত্যন্ত আনন্দিত হ'ল যে—চুৰি হোৱা ফুলখিনি বিচাৰি পোৱা গ'ল। লগে লগে উ তুঙে এইবাৰ সমুদ্ৰৰ বুকুত পুনৰ সমুদ্ৰী-ৰাক্ষসক বিচাৰি ওলাবৰ আঁচনি পাঙিলে।

ইতিমধ্যে কাবুই সেনাধিপতিৰ কাষ চাপিছিল। কাবুইয়ে সেনাধিপতিক সকলো কথা ধীৰে-সুস্থিৰে ক'লে।

সেনাধিপতিয়ে ক'লে, "চা—ব্বাছ! এনে বঢ়িয়া বাতৰি কঢ়িয়াই লৈ অহা সৈন্যজনক যথোচিত পুৰস্কৃত কৰা।"

"কোনো সৈনিক নহয়, সেনাধিপতি,





আমাৰ চিতিৰাই খবৰটো দিলেহি মোক।" কাবুইয়ে ক'লে।

"অতি আনন্দৰ কথা। যি কি নহওক—ফুলখিনি পৰ দি থাকিবলৈ এতিয়াই কেইজনমান সৈন্যক তালৈ পঠাই দিয়া হ'ব। ব'লা, এই শুভ খবৰটো মহাৰাজক দিওঁগৈ।"

তিনিও ৰাজপ্ৰাসাদলৈ গ'ল। শুনি ৰজা মাহিনদাক পৰম পৰিতুষ্ট হ'ল। তেওঁ ক'লে, "এতিয়া আৰু কালবিলম্ব নকৰি সমুদ্ৰী-ৰাক্ষসটোক খেদাৰ কামত ওলাব লাগে।" তেওঁ উতুঙলৈ চাই সুধিলে, "কোৱা—কেতিয়া ওলাবৰ মন।"

"মহাৰাজ! মই সাজু হৈয়েই আছোঁ।" উতুঙে ক'লে।

"চা—ব্বাইছ!"

ৰজা মাহিনদাকয়ে সিংহাসনৰপৰা উঠি থিয় হৈ ক'লে, "চা—ব্বাইছ! তোমাৰ বীৰতাৰ—তোমাৰ সাহসৰ তুলনা নাই। তুমি তোমাৰ কাম খতম কৰি মাণিক্যপুৰীলৈ ওভোতাৰ আগতে আমাৰ ইয়ালৈ অৱশ্যেই আহিবা—মোৰ অনুৰোধ। শতাব্দিকা পুষ্পখিনি বিচাৰি পোৱাৰ শুভ সম্বাদ—আমাৰ আই উৰ্ষিয়াকো কওঁগৈ।" ৰজা মাহিনদাক অন্তেষপুৰলৈ গ'লগৈ।

সেনাধিপতিয়ে নাগসিংহক তেতিয়াই মতাই পঠালে।

খবৰ পোৱামাত্ৰেই নাগসিংহ লৰৰি আহিল। কিন্তু তাত সেনাধিপতিৰ সৈতে কাবুই আৰু উতুঙকো দেখা পাই কিঞ্চিত বিবুধিত পৰা যেন হ'ল। যি কি নহওক, নিজক চম্ভালি লৈ নাগসিংহই সেনাধিপতিক যথোচিতভাবে অভিবাদন কৰিলে।

সেনাধিপতিয়ে কঠোৰ আদেশৰ ভংগীৰে নাগসিংহক ক'লে, "উতুং আজিয়েই সমুদ্ৰলৈ ওলাব। তাৰ নিৰাপত্তাৰ কাৰণে আমাৰ কিছুমান সৈন্য তাৰ লগত যাব, আৰু তুমিও যাবা। এই আদেশ—মহাৰাজৰ আদেশ।"

“আমি—শতাব্দিকা ফুলখিনিও লগত লৈ নোলা মনে?” নাগসিংহই ৰজাৰ সেনাধিপতিক সুধিলে।

“ওঁ।” সেনাধিপতিয়ে চমুকৈ ক'লে, “আজি আবেলিপৰতেই ওলাবা। তুমি আৰু উ তুং এখন নাৱত, আৰু আন দুখন নাৱত যাব সৈন্যইত। বাদবাকী কাৰ্যাক্ৰম উ তুঙেই স্থিৰ কৰিব।

“পিছে—ফুল—?” নাগসিংহই সুধিও নোসোধা হ'ল। ৰৈ দিলে।

“সকলো ঠিকঠাক কৰা হৈছে। কেৱল তুমি সমুদ্ৰৰ তীৰ পালেগৈহে হৈছে।” সেনাধিপতিয়ে ক'লে।

“আপোনাৰ আদেশ শিৰোধাৰ্য্য, মাননীয় সেনাপতি!” এই কথা কৈয়েই নাগসিংহ তড়িংগতিৰে গুচি গ'ল।

সেনাধিপতিয়ে উ তুঙক ক'লে, “শতাব্দিকা ফুলখিনি চুৰি হোৱাৰ কথা নাগসিংহই বোধ কৰোঁ কেনেবা কৈ জানিলেই। কিন্তু এইবোৰ কথা লৈ আলচ-বিলচৰ সময় এতিয়া আৰু নাই। শুনা, তুমি কিন্তু নাগসিংহৰ মতি-গতিলৈ সদায় লক্ষ্য ৰাখিবা, আৰু তাৰপৰা সতৰ্কও হৈ থাকিবা।”

উ তুঙে নম্ৰভাৱে ক'লে, “আপোনাৰ এই কথা সদায় মনত ৰাখিম।”

সমুদ্ৰৰ তীৰলৈ একে একে সকলোটিয়েই আহি পালে। নাগসিংহও আহিল। শতাব্দিকা পুষ্পখিনি নাৱত থকা দেখা গ'ল আৰু উ তুং পোনে পোনেই তালৈ গ'ল। তাৰ পাছত উ তুঙে তাৰ কঁকালত লুকুৱাই থোৱা শতাব্দিকা পুষ্পৰ পুলি এটা কোনেও নেদেখাকৈ কাবুই-কন্যা চিতিৰাক—অৰ্থাৎ চিত্ৰাক দিলে আৰু এই পুলিটোক সযতনে ৰাখিবলৈ চকুৰ ইংগিতেৰে ক'লে। চিত্ৰাই উ তুঙলৈ মৰমভৰা দৃষ্টিৰে চালে।

নাৱত থকা শতাব্দিকা ফুলখিনি দেখি ইমান পৰে বিষাদ বিৰক্তিৰে ভৰি পৰা

নাগসিংহৰ চকুযুৰি অকস্মাৎ অস্বাভাৱিক-ভাৱে উজলি উঠিল।

এইবাৰ নাগসিংহই সমুদ্ৰৰ বুকুলৈ ওলাবলৈ খৰখেদা লগাই দিলে। নাগসিংহই বাৰে বাৰে উ তুঙলৈ চাই চাই তাকো খৰখেদা কৰিবলৈ ইংগিত কৰি থাকিল। উ তুঙে কাবুইক প্ৰণাম কৰিলে, আৰু পাছ মুহূৰ্ততে ঘূৰি থিয় হৈ নাওখনত উঠি বহিল নাওখন এৰি দিলে।

আৰু তাৰ পাছত সৈন্যইঁতো নাৱেৰে সফেন সমুদ্ৰৰ বুকুলৈ আগবাঢ়িল। সমুদ্ৰৰ তীৰত থিয় হৈ থকা কাবুই, চিত্ৰা আৰু অন্যান্যয়ো হাত জোকাৰি জোকাৰি সমুদ্ৰ অভিযানলৈ ওলোৱা ইতক বিদায় অভিনন্দন জনালে।

"এই শতাব্দিকা ফুলখিনি পালে সমুদ্ৰী-ৰাক্ষস আৰু তোমালোকৰ মাণিক্য-পুৰীলৈ নাযাব বুলি কেনেকৈনো তুমি জানিলাহে ভালুকপুঙৰ উ তুং?"

নাগসিংহৰ কৰ্কশ কণ্ঠ শুনি উ তুঙে মূৰ দাঙি চালে আৰু ক্ৰুদ্ধ যেন হৈ পৰা নাগসিংহক ক'লে, "আমাৰ ৰাজ্যৰ মথিয়ন সকলে, বিশেষকৈ আমাৰ মহাৰাজে তেনেকৈয়েই ভাবিছে আৰু কৈছে। আমাৰ ৰাজ্যত এতিয়া আৰু বিচিত্ৰ পুষ্প একেবাৰেই নাই। মই হ সকলো খিনি শতাব্দিকা চাঁহি-মুলি লৈ আহিলোঁ। গতিকে—অহা এশ বছৰতো যে এই ফুল আৰু তাত নুফুলিব সেই কথা ধ্ৰুৱ। আৰু—আমাৰ বিশ্বাস—এই ফুল য'ত নাপাব, সমুদ্ৰী-ৰাক্ষসও তালৈ নাযাব।"

"তাৰ মানে—এই ফুলৰ লোভ দেখুৱাই সমুদ্ৰী-ৰাক্ষসৰ সৈতে তোমালোকে কিবা ধৰণৰ বুজাপৰা এটা কৰিবা। নহয়নে?"

নাগসিংহৰ এই প্ৰশ্নৰ উত্তৰত উ তুঙে স্পষ্টকৈয়েই ক'লে, "সমুদ্ৰী-ৰাক্ষসৰ সৈতে বুজাপৰা? কেনেকৈনো সম্ভৱ? সমুদ্ৰী-ৰাক্ষসে কিবা আমাৰ ভাষা বুজি পাবনে? কিন্তু—ৰাক্ষসৰ সৈতে আমাৰ কি হ'ব

নহ'ব—তাৰেনো আপোনাৰ কি কাম?"

"কাম আছে, মূৰ্খ যুৱক। ৰজা মাহিনদাৰু, তাৰ ৰাণী, আৰু ৰাজকুমাৰীৰো খেল খতম কৰিম মই। সেনাধিপতিটোক টিলিকিতে উৰাই দিম। আৰু—এইবোৰ পৱিত্ৰ কামত মই সেই সমুদ্ৰী-ৰাক্ষসকো লগাম বুলি পাঙি থৈছোঁ।" নাগসিংহই নিঃসীম সমুদ্ৰৰ বুকুত নাৱত থিয় হৈ এ্ৰকো লুক-ঢাক নকৰাকৈয়েই ক'লে।

উ তুঙে এইবাৰ নাগসিংহতো এক নৰ-ৰাক্ষস প্ৰচ্ছন্নভাবে লুকাই থকা দেখি ভিতৰি ভিতৰি কঁপি উঠিল। তথাপি উ তুঙে ক'লে, "তেওঁলোক দেখোন কিমান ভাল—আপোনাকো দেখোন তেওঁলোকে ভাল পায়। আপুনি তেওঁলোকক সঁচাকৈয়েই খতম কৰিবনে?"

"শুনা—" গম্ভীৰ কণ্ঠেৰে নাগসিংহই ক'লে, "নাগপুৰীৰ সিংহাসন মই দখল কৰিম। মোৰ এই লক্ষ্য পূৰণত যেয়ে বাধা দিব, তাকেই মই তৎক্ষণাৎ খতম কৰিমেই। মোৰ এই লক্ষ্য পূৰণ নোহোৱালৈকে মোৰ কোনো ভাই নাই বন্ধু নাই স্বজন-পৰিজন একোৱেই নাই। যিয়েই মোৰ লক্ষ্যৰ বিৰুদ্ধে মাত মাতিবৰ দাঁত কৰিব, তাকেই মই কচুকটা দিম। আনকি প্ৰয়োজন হ'লে—তোমাকো।" নাগসিংহৰ

মুখ-চকুত ক্ৰূৰতাৰ স্পষ্টতা ফুটি উঠিল।

"মোকো—!"

বিস্মিত আৰু কিঞ্চিত ভীত হৈ পৰা উ তুঙে কৈ উঠিল, "মোকো মাৰি পেলাব? কিন্তু—ফুলখিনি মোৰ। এই ফুলেৰে সমুদ্ৰী-ৰাক্ষসৰ লগত বন্ধু পতাবৰ অধিকাৰ আপোনাৰ নাই। মই এই শতাব্দিকা ফুল আপোনাক আপোনাৰ পৰিকল্পিত এনেবোৰ নীচ হীন কামত ব্যৱহাৰ কৰিবলৈ নিদিওঁ।" উ তুঙে দৃঢ়তাৰে ক'লে নাগসিংহক।

"মোক নিদিবলৈ তই জীয়াই থাকিব লাগিব নহয়—মাহিনদাৰুৰ কুত্তা?"

এই বুলি কোৱাৰ মুহূৰ্ততেই নাগসিংহই অপ্ৰস্তুত উ তুঙক গুৰিয়াই উত্তাল সমুদ্ৰৰ সুগভীৰ পানীলৈ বগৰাই পেলালে।

*

উ তুং সফেন সমুদ্ৰৰ বুকুত সাঁতুৰি থাকিল আৰু বাৰে বাৰে মূৰ দাঙি চাই থাকিল—আৰু তাৰ নৰৰ পিছে পিছে ওলোৱা আন নাওকেইখন ক'ত আছে তাৰ লেখ লৈ থাকিল।

*

তিমানতে বেলি মাৰ গৈছিল। অসীম সমুদ্ৰত তেতিয়া নিঃসীম অন্ধকাৰ। সেই অন্ধকাৰময় গৰ্জনশীল সফেন সমুদ্ৰত হঠাৎ কিবা এটাৰ গাত উ তুঙে অতিকৈ জোৰেৰে প্ৰচণ্ড এক খুন্দা খালে। ভিতৰি ভিতৰি উ তুং কঁপি উঠিল।

কিহৰ লগত না ঠেকা খালে সি?

কিহত?

সমুদ্ৰী-ৰাক্ষস নহয় তো?

সি তাৰ বুঁও হাতখনেৰে খেপিয়াই চালে।

নহয়, সমুদ্ৰী-ৰাক্ষস নহয়। এখন নাও।

নাওখন সাগৰৰ বুকুত উটিছে!

উ তুঙে তৎমুহূৰ্তেই নাওখনত থাপ মাৰি ধৰিলে আৰু বহু কষ্টেৰে নাওখনত উঠি বহিল।

ভাগ্যক্ৰমে নাওখনত দুপাট বঠাও আছিল।

নিমজ অন্ধকাৰৰ মাজেদি উ তুঙে দূৰলৈ চাই—সমুদ্ৰৰ শিলাময় তীৰ দেখা পালে।

উ তুঙে ভাবিলে: শ তা ব্দি কা ফুল নোহোৱাকৈ সেই ভয়াবহ সমুদ্ৰী-ৰাক্ষসক কদাপি বিচাৰি পোৱা নাযাব।

গতিকে প্ৰাণপণে বঠা মাৰি মাৰি উ তুং উত্তাল সমুদ্ৰৰ সেই শিলাময় তীৰলৈ আগুৱাই গৈ থাকিল। [আগলৈ



ৰঘুম্বৰা

অদম্য বিক্ৰমাদিত্যই পুনৰ সেই গছৰ ডালৰপৰা মৃতদেহটো নমাই আনি, কান্ধত পেলাই লৈ ভূত-প্ৰেত পিশাচ-ৰাক্ষসৰ বাসভূমি শ্মশানলৈ বুলি গৈ থাকিল আৰু বেতালেও কৈ থাকিল, "হে ৰজা! তোমাক যে ঠিক কি লাগে, কিহৰ কাৰণে যে তুমি এনেকৈ মৰি-মুজি ধৈৰ্য্যৰ যুঁজ দিছা, সেই ৰহস্যময় কথাৰ বুজ পোৱা টান। কিন্তু শুনি থোৱা, কেতিয়াবা কেতিয়াবা প্ৰকৃত সৎ তথা নিঃস্বাৰ্থীসকলো অপমানিত হয়, আৰু ঘোৰ স্বাৰ্থান্বিত হয় সন্মানিত। পাপ আৰু পুণ্য অতি বিচিত্ৰ তত্ত্ব। এই তত্ত্বৰ সঠিক ব্যাখ্যা জীৱন পাত কৰিলেও বিচাৰি পাবলৈ নাই। যি কি নহওক, এই বিষয়ে তোমাৰ সুবুদ্ধি জাগ্ৰত কৰাৰ কাৰণে মই আজি বদ্ৰীনাথৰ কাহিনী কওঁ শুনা।" এই বুলি কৈ, বেতালে বদ্ৰিনাথৰ অজ্ঞাত কাহিনী কবলৈ ধৰিলে ঃ

'বেতাল-কথা'



ৰাইজৰ মনৰপৰাও আনৰ কাৰণে কিবা—তথা উপকাৰ কৰাৰ ইচ্ছা নোহোৱাই হ'ল।

কিছুদিনৰ অন্তত গাঁৱত সাধু এজন আহিল। এই সাধুজনৰ বক্তব্য হল: মানুহে আনৰ কাৰণেহে জীয়াই থাকিব লাগে, নিঃস্বাৰ্থ সেৱায়েই হ'ল পৰম ধৰ্ম আৰু পৰম পুণ্য—ইত্যাদি।

সাধুৰ এনেবোৰ বচন গাঁৱৰ ৰাইজে ভালেই পালে। এতিয়া গাঁৱৰ ৰাইজৰ মন কিঞ্চিতমান ফিৰিল, ৰাইজৰ মনত পৰৰ উপকাৰ কৰাৰ প্ৰবৃত্তি পুনৰ অলপ অলপকৈ জাগ্ৰত হ'ল। এইবোৰ কিন্তু চাই-চিঁতি বদৰিয়ে প্ৰমাদ গণিলে।

বদ্ৰীনাথ আছিল বৰধনপুৰ নামৰ গাঁৱৰ এজন বিৰাট ধনী মানুহ। ধনী, কিন্তু হ'লে কি হ'ব—ধনৰ প্ৰকৃত ব্যৱহাৰ নজনা। বদ্ৰীনাথৰ দৃষ্টি—শগুণৰ দৃষ্টি শ'লৈ থকাৰ দৰে—বদ্ৰীনাথৰ কেৱল ধনলৈ। সমাজৰ কোনো উপকাৰত বদ্ৰীনাথৰ নাই। তেওঁৰ বক্তব্য হ'ল: অনিষ্ট কৰাটোও যিমান বেয়া কথা, আনৰ ইষ্ট কৰাটোও সিমানেই বেয়া। মানুহে নিজৰ প্ৰয়োজনৰ আয়োজন নিজেই কৰিব—এয়ে হ'ল বাঞ্ছনীয়।

বদৰিৰপৰা — অৰ্থাৎ বদ্ৰীনাথৰপৰা এনেবোৰ সাৰুৱা বচন শুনি শুনি গাঁৱৰ

সেইখন গাঁৱতে বীৰদাস নামৰ এজন যুৱক আছিল। বীৰদাস আছিল লেঙেৰা। সৰুতে সিহঁতৰ খাপৰিইটাৰ ঘৰটো ভাগি পৰাত তাৰ মাক-দেউতাক মৰিল, আৰু সি কথমপি কাণে কাণ মাৰি সাৰিল, কিন্তু তাৰ ভৰি এখন অকামিলা হৈ থাকিল। সি ডাঙৰ হোৱাৰ পাছত কোনো কাম-বন কৰিব নোৱৰা হ'ল। গতিকে—ভিক্ষা কৰি—খুজি-মাগি খোৱাৰ বাহিৰে তাৰ কোনো উপায় নাথাকিল।

ধৰ্মদাস আছিল বীৰদাসৰ ওচৰ সম্পৰ্কীয়। ধৰ্মদাসে বীৰদাসক নিজৰ ঘৰত আশ্ৰয় দিব বুলি ভাবি থকাটো এদিন

কথাই কথাই বদৰিনাথক ক'লে।

ক'বলৈ পালেহে। বদৰিয়ে ধৰ্মদাসক কৈ উঠিল, "তুমি যদি বীৰদাসক ঘৰতে আতোল-তোলকৈ পোহ-পাল দিবা বুলি ভাবিছা, তেনেহ'লে—তাক একপ্ৰকাৰে মাৰি পেলোৱাহে হ'ব। কিয়নো—এতিয়া তেও সি একপ্ৰকাৰে খাটিয়েই খাই আছে —খুজি খালেও খাটিব লাগে, কিন্তু তুমি তাৰ ঘৰতে বৰপীৰা পাৰি দিয়া যদি, তাক সৰ্বনাশহে কৰা হ'ব, সি হৈ উঠিব আনৰ বোজা — এটা বহি খোৱা ফুকন। গতিকে—কাম এটা কৰা। তাক মোৰ ওচৰত দিয়া। মই তাক বাঁহৰ কাম কৰিবলৈ দিম। বাঁহৰ নানান বস্তু বনাব, গাঁৱলীয়াই কিনিব। সি নিজৰ কাম নিজে কৰি ভৱিষ্যৰ খোপনি পাব। ইয়াকে বোলে সহায় কৰা। আৰু—তুমি য আঁচনি কৰিছা—তাক বোলে মৰা।"

বদৰিৰ কথাখিনি ধৰ্মদাসৰ মনত সাৰুৱা যেনেই লাগিল। ধৰ্মদাসে বীৰদাসক বদৰিকে দিলে। কিন্তু বদৰিৰ পৰিয়ালে কথাটো ভাল নাপালে। এটা লেঙেৰা-পেঙুৰাই বহি বহি খাব আৰু তেওঁ তাৰ কাৰণে সকলো খেজমত কৰিব —সেইবোৰ নহৈছে। কিন্তু বদৰিয়ে পৰিবাৰক বুজাই ক'লে, "হাৰে পাগলী ক'বাৰ, তাৰে মই যিমান কাম কৰাম তাৰ আধাৰো আধাতকৈয়ো আধাও তাৰ



কাৰণে খৰচ নকৰিম। সি হ'ব—দৰাচলতে আমাৰ খীঁৰতী গাইৰ দৰে—মানুহ-গাই।"

কথাটোৰ পৰিবাৰে এইবাৰ বুজ ল'লে, মানিও ল'লে। ভালেই পালে তায়ো, আৰু—এটা অসহায় মানুহক সহায় কৰা বাবে বাইজে বদৰি-দম্পতিলৈ শলাগৰ শৰায়ো যাচিলে।

এদিন গাঁৱৰে দয়াল নামৰ মানুহ এজন বদৰিৰ কাষ চাপিল। কথা কি—? গাঁৱত পঢ়াশালি নাই, ছোৱালীহঁতৰ কথা বাদেই, ল'ৰাহঁতেও পঢ়িবলৈ বহুত দূৰলৈ যাব লাগে, সিহঁতৰ বৰ কষ্ট। গতিকে—সিহঁতৰ কাৰণে বিনা পয়চাৰে গৰুৰ গাড়ীৰ বন্দৱস্ত কৰিলেহে ভাল।

কিন্তু দয়ালৰ প্ৰস্তাৱত বদৰিৰ কোনো দয়া নহ'ল। বদৰিয়ে ক'লে যে—গাঁৱতে পঢ়াশালি পাতিব লাগে।

বদৰিয়ে কথা মতেই কাম কৰিলে। গাঁৱতে ঢেৰ ছন পৰা মাটি পৰি আছিল, তাতেই বাঁহৰ ঘৰ সাজি পঢ়াশালি পাতিলে, আৰু তেওঁৰ সম্পৰ্কীয় এজন মানুহক পঢ়াশালিৰ শিক্ষক হিচাপে মকৰল কৰিলে। চাওঁতে চাওঁতে এই পঢ়াশালিত ঢেৰ ছাত্ৰ-ছাত্ৰী আহিল। আৰু বদৰিয়ে পঢ়াশালিৰপৰাও ৰইনাই দি কোঁচাই থাকিল। এই পঢ়াশালি হৈ উঠিল বদৰিৰ অন্যতম বেপাৰৰ ঠাই।

গাঁৱৰ সীতাপতিয়ে বদৰিক ক'লে যে—পঢ়াশালিৰ ছাত্ৰ-ছাত্ৰীহঁতক বিনা পইচাৰে পাঠ্যপুথি দিয়া হওক, আৰু সিহঁতৰ দুপৰীয়াৰ খোৰা-বোৰা পঢ়াশালিতে হওক।

কিন্তু বদৰিয়ে সীতাপতিক তিৰস্কাৰ কৰি ক'লে, "পঢ়াশালিৰ চাৰিওফালে কিমান খালী ঠাই পৰি আছে—তাত ল'ৰাহঁতে খেতি-বাতি কৰিলেহে ভাল হ'ব। সিহঁতে নিজেই নিজৰ আহাৰৰ বস্তু যোগাৰ কৰি ল'ব পাৰিব। লগতে

—খেতি-বাতিৰপৰা যি আয়-উপাৰ্জন হ'ব, তাৰ পৰা মাত্ৰ দুখীয়া ছাত্ৰইঁতকহে বিনা পইচাৰে কিতাপ-পত্ৰ দিয়া যাব। সিহঁতেও জানিব—সিহঁতে নিজৰ শ্ৰমেৰে উপাৰ্জন কৰিলে। তাৰ ফলত শ্ৰমৰ মৰ্য্যাদা কি—সিহঁতে বুজি পাব আৰু দানৰ বস্তু লোৱাত সিহঁতে ঘৃণা বোধ কৰিব।"

এইদৰে, গাঁৱৰ ৰাইজ বদৰিৰ হাতত মুঠিলৈ আহিল। পঢ়াশালি, বা দ'ল-দেৱালয়—সকলো বদৰিৰ হাতত। কানু বিনে গীত নাই, বদৰি বিনে মতি নাই।

এদিন হংসপুৰ গাঁৱৰপৰা অমৰ নামৰ মানুহ এজন বৰধনপুৰলৈ আহিল। অমৰে গাঁৱৰ মুখিয়ালইঁতক ক'লে, "মোৰ ঢেৰ সা-সম্পত্তি আছে। মোৰ সম্পত্তিৰ উত্তৰাধিকাৰী কোনো নাই। মই মোৰ সা-ম্পত্তি দুখীয়াইঁতক বিলাই দিব খুজিছোঁ, সিহঁতে সুখৰ মুখ দেখা পালে মই ভাল পাম। আপোনালোকে আপোনালোকৰ গাঁৱৰ দুখীয়াইঁতক মতাই আনাওক মই সিহঁতক সহায় কৰিম।"

বৰধনপুৰীয়াই অমৰৰ কথাত ভালেই পালে। তেওঁলোকে পোনতে বদৰিক—অৰ্থাৎ বদ্ৰীনাথক তালৈ মাতাই আনালে। অমৰৰ প্ৰস্তাৱৰ কথা শুনি বদৰিয়ে বমকি উঠি ক'লে, "আমাৰ গাঁৱত এনেবোৰ দান ল'বলৈ কোনো নাহিব, তেনেকুৱা খকুৱা দুখীয়া আমাৰ গাঁৱত নাই। আমাৰ ইয়াত



সকলোটিয়েই মেহনত কৰে আৰু নিজৰ শ্ৰমৰে অৰ্জা ধনতহে গৰ্ব কৰে।"

বদৰিৰপৰা বধনপুৰৰ কথা খৰচি মাৰি জানি লোৱাৰ অন্তত অমৰে পুনৰ ক'লে, "আপুনি নিজেই মোৰ সা-সম্পদখিনি গ্ৰহণ কৰক আৰু তাৰ সদুপযোগ কৰক।"

বদৰিয়ে ক্ৰুদ্ধ কণ্ঠৰে অমৰক ক'লে, "যদি সন্যাসী হৈ হিমালয়লৈ যাবলৈ ওলাইছা—যোৱাগৈ আৰু যোৱাৰ আগতে তোমাৰ সা-সম্পদ দেশৰ ৰজাক দিয়াগৈ। তেওঁ—ৰজাই—যি কৰে কৰিব। মই দান গ্ৰহণ কৰিব নোৱাৰো, দান-গ্ৰহণ মোৰ সিদ্ধান্তৰ বিৰোধী কথা। তুমি আজিকোপতি নিশ্চয় কোনো পুণ্যকৰ্ম কৰা নাই। সা-সম্পদ এনেয়ে দ'ম নাথায়, পাপকৰ্মৰ যোগেদিহে সম্পদৰ পাহাৰ সৃষ্টি হয়। গতিকে—কাৰো বাৰ পৰা দান লোৱাটো ঘোৰ পাপৰ কথা। তুমি তোমাৰ সা-সম্পদ ৰজাক দিয়া, ৰজাই দিব প্ৰজাক। প্ৰজাই তোমাৰ সা-সম্পদ পালেহে তোমাৰ পাপ প্ৰক্ষালিত হোৱাৰ আশা আছে।"

এই কাহিনী কোৱাৰ অন্তত বেতালে ক'লে, "হে ৰাজন্! বদ্ৰীনাথৰ মাজত কেনে ধৰণৰ পৰিৱৰ্তনৰ সৃষ্টি হৈছিল, শুনিলাই। কিন্তু তাৰ কাৰণ কি? সঠিক উত্তৰ জানিও নিদিয়া যদি—তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "বদ্ৰীনাথৰ মাজত কোনো ধৰণৰ পৰিৱৰ্তনেই সৃষ্টি হোৱা নাছিল। এনেবোৰ বদ্ৰীনাথ সদায় সকলোতে সকলো সমাজত দেখা পোৱা যায়। প্ৰকৃততে ইহঁত হ'ল সমাজৰ ৰঘুমৰা।"

ৰজা বিক্ৰমাদিত্যৰপৰা এই সদুত্তৰ শুনিয়েই বেতাল বিজুলীগতিৰে পুনৰ সেই গছজোপালৈ উভতি গ'ল আৰু গৈ গছৰ ডালত পুনৰ ওলমি থাকিল। [কল্পিত

কয় এক, কৰে আন

নাম আছিল সত্য সদাগৰ, আচলতে আছিল শাক-পাচলিৰ বেপাৰী। সত্যনাথৰ একমাত্ৰ ল'ৰাটোৰ নাম নিত্যনাথ। সত্যনাথে গমিলে—নিত্যা পঢ়া-লিখাত হৰমোহনেই হ'বগৈ। গতিকে—তাকো বেহা-বেপাৰৰ কিটিপ-কৌশল শিকাব-বুজাব—এয়ে আছিল তাৰ সংকল্প।

এদিন সত্যনাথে নিত্যাক, অৰ্থাৎ নিত্যনাথক ক'লে, "শুনা তই আজি ফটাগড়ৰ হাটলৈ যাবি, আৰু তাত সূৰ্য্যপুৰৰ নবীন বেপাৰীয়ে হাটত বেচিবলৈ লৈ অহা পাচলিবোৰ ভালনে বেয়ানে কি—ভালকৈ চাই আহিবি। তাৰ পাছত আমি দুয়ো আকৌ হাটলৈ যাম আৰু যদি ভাল হয় কিনি আনিম। খুব ভালকৈ চাবি, তেহে বেহা-বেপাৰৰ সাৰ-কথা জানিবি।"

নিত্যা ফটাগড়ৰ হাটলৈ ৰাতিপুৱাতে গ'ল আৰু সাঁজ লাগি ভাগোঁতেহে উভতি আহিল হাটৰপৰা।

সত্যনাথে পুতেকক সুধিলে, "ওভতোঁতে ইমান দেৰি হ'ল যে—?"

নিত্যাই ভুৰু কোঁচাই ক'লে, "আপুনি—আটাইবোৰ পাচলি ভালকৈ চাই আহিবলৈ কোৱা নাছিলনে? চাওঁতে সময় লাগিল, সেইহে দেৰি হ'ল। নবীন বেপাৰীৰ পাচলিবোৰ ভাল বুলিয়েই মোৰ ধাৰণা হৈছে।"

নিত্যাৰ উত্তৰ শুনি সত্যনাথে হাঁহি ক'লে, "বোপা, ভাত হ'লনে নাই—তাৰ পৰীক্ষা ল'বলৈ আটাইখিনি ভাত চাব নালাগে নহয়? মাত্ৰ এটা ভাত টিপি চালেই হৈ যায়। তেনেকৈয়ে, পাচলিবো

হৰমোহন শৰ্মা

আটাইখিনি চাব নালাগে। এটা দুটা বা তিনিটা বস্তাৰপৰা নমুনা অলপ লৈ চাপেই হৈ যায়।—বুইছা নহয় কথাটো ?"

পাছদিনা সত্যনাথ সদাগৰ কিবা কামলৈ ওলাল আৰু গধূলিৰ পাছতহে উভতি আহিল।

নিত্যাই তাৰ দেউতাকক ক'লে, "চতিয়াৰপৰা নৱসুন্দৰ আহিছিল আৰু প্ৰতিটো মোনাত এহেজাৰকৈ বিছটো মোনাত বিছ হেজাৰ টকা দিলে আৰু ময়ো টকাখিনি পাই নৱসুন্দৰক ৰচিদ লিখি দিলোঁ। টকাখিনি আলমাৰীত ভৰাই থৈ দিছোঁ।"

"ভালেই কৰিছা। পিছে—নৱসুন্দৰ বৰ ধূৰ্ত মানুহ। টকাখিনি গন্তি কৰি লৈছিলা নে ? হিচাপ ঠিক আছে তো—?" দেউতাকে পুতেকক সুধিলে।

নিত্যাই ক'লে, "হিচাপ নিশ্চয় ঠিকেই আছে, মই দুই-তিনিটা মোনাৰপৰা নমুনা হিচাপে লৈ গন্তি কৰি চালোঁ — ঠিকেই আছিল। কালি আপুনি পাচলিৰ কথাত মোক যেনেকৈ কৈছিল, ঠিক তেনেকৈ চাই —টকাৰ প্ৰাপ্তিৰ বাবে নৱসুন্দৰক ৰচিদ লিখি দিলোঁ।"

পুতেকৰ কথা শুনি সত্যনাথে তৎক্ষণাৎ আলমাৰীৰপৰা টকাৰ মোনাবোৰ উলিয়াই আনি গন্তি কৰি চালে যে— তিনি হেজাৰ টকা কম! সত্যনাথে পুতেকৰ পিনে চকু পকাই চালে আৰু দাঁত কৰচি ভোৰভোৰালে।

দেউতাকে যে তাক বেয়া পাইছে— নিত্যাই বুজি পালে। সি দেউতাকৰ থেকেচা খোৱাৰপৰা ৰেহাই পাবলৈ তাৰপৰা বেগাই ওলাই যাওঁতে ভাবি থাকিল: ডাঙৰইঁতে কয় এক, কৰে আন। কী যে ৰগৰ ! মোক যি কৈছিল তাকে কৰিলোঁ— এতিয়া মোৰহে জগৰ লাগিল। চেঃ ! ডাঙৰইঁত যে কি!

চান্দমামা ক্ৰোড়পত্ৰ-৬৪

ভাৰতৰ পশু-পক্ষী ঃ



বগা বাঘ

ৰেৱা ৰাজ্যৰ বগা বাঘৰ বিষয়ে যেতিয়া কোনোবাই কিবা কয়, তেতিয়া এটি কাহিনী ও শুনায়। মোটামুটি চল্লিছ বছৰমানৰ আগতে এই ঘটনা ঘটিছিল। ৰেৱা ৰাজ্যৰ মহাৰাজৰ অতিথিৰূপে অহা কেইগৰাকীমানে ৰেৱাৰ দেবা নামৰ অৰণ্যত বাঘ চিকাৰলৈ ওলাল। চাৰিটি পোৱালিৰে সৈতে এজনী বাঘিনীও চিকাৰীইতৰ আগত হঠাৎ অৰণ্য ভেদি ওলাই আহিল বাঘিনীক আৰু তিনিটি পোৱালিকো গুলীয়াই মৰা হ'ল, কিন্তু এটি বগা বৰণীয়া পোৱালি কেনেবাকৈ পলাই সাৰিব পৰা হ'ল। পাছদিনা সেই পোৱালিটিক বিচাৰি উলিয়াই ধৰি লৈ অহা হ'ল গোবিন্দগড়লৈ। এই পোৱালিটি আছিল নমহীয়া পোৱালি। তাৰ নাম দিয়া হ'ল—'মোহন'। তাৰ পাছত 'বেগম' নামৰ বাঘিনীৰ গৰ্ভত মোহনৰ ঔৰসত দহোটা পোৱালি উপজিল। কিন্তু—পোৱালিবিলাকৰ এটাৰ বৰণো বগা নহ'ল। তাৰ পাছত—মোহনৰদ্বাৰা 'ৰাধা' নামৰ বাঘিনীৰ গৰ্ভত চাৰিটা পোৱালি উপজিল আৰু এই চাৰিওটা পোৱালিয়েই আছিল বগা। ১৯৫৮ চনৰ অক্ট'বৰৰ ৩০ তাৰিখৰ দিনা সেই পোৱালি চাৰিটা উপজিছিল। এই দৰে 'মোহনা' নমৰ বগা বাঘটোকেই আমাৰ আৰু অন্যান্য দেশৰো 'বগা বাঘ'ৰ আদি জনক বুলি গণ্য কৰা হয়। ১৯৬৭ চনৰ জানুৱাৰিলৈকে আমাৰ দেশৰ ডাঙৰ দহখন চিৰিয়াখানাত সৰ্বমুঠ ১৬টা বগা বাঘ আৰু ৩৭ জনী বগা বাঘিনী আছে। বিদেশৰ চিৰিয়াখানাত আছে ২৭টা বগা বাঘ আৰু ৩৮ জনী বগা বাঘিনী।

সাধাৰণ বাঘৰ গাৰ বৰণ কমলা বৰণীয়া আৰু সোণোৱালী-হালধীয়াও হয়। গোটেই গাত থাকে ক'লা ক'লা দীঘল দীঘল আঁচ। পেটৰ তলৰ ফাল বগা। বগা বাঘৰ গাৰ বৰণ বগা আৰু আঁচবোৰ মটীয়া। বগা বাঘ সাধাৰণ বাঘতকৈ আকাৰত ডাঙৰ হয়। কিন্তু স্বভাৱ-চৰিত্ৰত একেই প্ৰকৃতিৰ।

বাদশ্বাহ আকবৰৰ সভাসদ আবুল ফজল ৰচিত 'আইন-ই-আকবৰী' গ্ৰন্থত বগা বাঘৰ উল্লেখ আছে।

ভাৰতৰ আধুনিক চিত্ৰশিল্পী

ৰামকিংকৰ

শান্তিনিকেতনৰ 'কলা-ভৱন'লৈ ১৯২৫ চনত ৰামকিংকৰ বেজ নামৰ ল'ৰা এটিক এজন মানুহে লৈ অহা হ'ল 'কলা-ভৱন'ৰ তৎকালীন অধ্যক্ষ নন্দলাল বসুৰ ওচৰলৈ।

নন্দলাল বসুৱে ল'ৰাটিক সুধিলে, "তুমি নিজে অঁকা কিবা তোমাৰ ওচৰত আছেনে?"

"ওঁ, আছে।" এই বুলি কৈ বালক ৰামকিংকৰে চল্লিছ পৃষ্ঠীয়া নোটবহী এখন নন্দলাল বসুদেৱৰ হাতত দিলে। তেওঁ চাই মিচিকীয়াই হাঁহিলে আৰু ল'ৰাটিক লৈ অহা মানুহজনক ইংগিত কৰিলে 'কলা-ভৱন'লৈ লৈ যাবলৈ। অৰ্থাৎ ৰামকিংকৰ বেজ নামৰ সেই বালকটি কলা-ভৱনত ছাত্ৰ হিচাপে সোমালগৈ।

তৎকালীন প্ৰখ্যাত আলোচনী 'মডাৰ্ন' ৰিভিউ'ৰ সম্পাদক ৰামানন্দ চট্টোপাধ্যায় মহোদয়ে ৰামকিংকৰৰ প্ৰতিভাৰ উমান আগতেই পাইছিল। তেৱেঁই প্ৰকৃতপক্ষে ৰামকিংকৰক শান্তিনিকেতনলৈ পঠাইছিল। ৰামকিংকৰ যে কলা-ভৱনৰ ছাত্ৰ হোৱাৰ অৰ্হতাসম্পন্ন বালক—সেই কথাত তেওঁৰ মনত কোনো সন্দেহ নাছিল। সেইহে তেওঁ বালকটিক তালৈ পঠাইছিল আৰু সিদিনাৰ সেই অজ্ঞাত পৰিচয় বালকটিয়েও তাৰ যোগ্যতাৰে তাৰ শিক্ষকসকলৰ তথা সহপাঠীসকলৰো মৰম-শ্ৰদ্ধা

সহজেই আৰ্জিব পাৰিছিল।

শ্ৰীৰামকিংকৰে শান্তিনিকেতনৰ কলাভৱনত প্ৰাচ্য তথা পাশ্চাত্যৰো শিল্পশৈলীৰ শিক্ষা গ্ৰহণ কৰিছিল, আৰু শিক্ষাগ্ৰহণ কৰিছিল ভাৰতীয় ঐতিহ্যগত চিত্ৰকলাৰ। কিন্তু এই প্ৰাচ্য আৰু পাশ্চাত্যশৈলীৰ মাজেদিয়েই অন্তঃস্ৰোতা ফল্গুৰ দৰে প্ৰবাহিত হৈছিল তেওঁৰ সম্পূৰ্ণ নিজস্ব শৈলী, যি-শৈলী আছিল অদ্বিতীয়। মুখ্যত, ভাৰতীয় চিত্ৰকলাৰ 'নৈৰূপ্য' শৈলীৰ প্ৰকাশ কিংকৰৰ চিত্ৰশিল্পতে প্ৰতিভাত। ভাৰতত ৰামকিংকৰেই হ'ল ভাৰতীয় 'নৈৰূপ্য'শৈলীৰ প্ৰবক্তা।

যাৰ চিত্ৰ যেনেকৈ হ'ব লাগে, হুবহু তেনেকৈ চিত্ৰায়িত নকৰাকৈ সেই বিষয়বস্তুৰ মুখ্য ভাব গভীৰভাবে প্ৰকাশ কৰাতে নৈৰূপ্যশৈলীৰ সাৰ্থকতা। উদাহৰণস্বৰূপ এজন অতি বুদ্ধিমান ব্যক্তিৰ বৌদ্ধিক প্ৰকাশ নৈৰূপ্যশৈলীৰ যোগেদি কৰিবলৈ হ'লে সেইজন দেহতকৈ মূৰটো হয়তো ভালেখিনি ডাঙৰকৈ চিত্ৰিত কৰিব লাগিব।

ৰামকিংকৰ চিত্ৰাৱলী তথা ভাস্কৰ্য্যৰ ৰূপাৰোপ অতুলনীয়ভাবে শক্তিমান। তেওঁৰ ভাস্কৰ্য্যসমূহ অতি জীৱন্ত। প্ৰকৃতিৰ ৰমণীয় দৃশ্য, পশু-পক্ষী মানৱ তথা অন্যান্য প্ৰাণীৰো চৰিত্ৰ-চিত্ৰণ তেওঁ অপূৰ্ব দক্ষতাৰে প্ৰকাশ কৰিলে।

ৰামকিংকৰ আছিল অতি সহজ-সৰল মানুহ। চিত্ৰ সমালোচকসকলে তেওঁৰ কিমান যে শলাগ লৈছিল তাৰ সীমা-সংখ্যা নাই ; কিন্তু ৰামকিংকৰ আছিল নিৰ্বিকাৰ।

১৯৭৬ চনত তেওঁক বিশ্বভাৰতীয়ে সন্মানিত কৰিলে, চিত্ৰ-ভাস্কৰ্য্যৰ ক্ষেত্ৰত তেওঁৰ অৱদানৰ শলাগ ল'লে, তেওঁক বিভিন্ন উপাধিৰে ভূষিত কৰিলে। কিন্তু ৰামকিংকৰ তথাপি নিৰ্বিকাৰ।

১৯৮০ চনত, সত্তৰ বছৰৰ বয়সত এই মহান শিল্পী-গৰাকীৰ মৃত্যু হ'ল।

জানো নে ?

১. ভাৰতৰ প্ৰাক্ স্বাধীনতাকালত ভাইচৰয় কোন আছিল ?
২. আটাইতকৈ অধিক চেনি কোনখন দেশত উৎপাদিত হয় ?
৩. কালিদাসৰ সমকালীন ৰজা কোন আছিল ?
৪. কোনখন দেশৰ মুদ্ৰাক 'লিৰা' বুলি কয় ?
৫. 'বুদ্ধচৰিত'ৰ গ্ৰন্থকৰ্তা কোন ?
৬. 'ছেফ্‌টিপিন' কোনে আবিষ্কাৰ কৰিছিল ?
৭. আমাৰ দেশৰ ক'ত অধিক অৰণ্য আছে ?
৮. আমাৰ দেশৰ সৰোবৰ এটাত এখন ৰাষ্ট্ৰীয় বাগিচা আছে। তাৰ নাম কি ?
৯. পৃথিৱীৰ আটাইতকৈ ডাঙৰ মৰুভূমি ক'ত অৱস্থিত ?
১০. পৃথিৱীত আটাইতকৈ অধিক জাৰকালি ক'ত পৰিলক্ষিত হয় ?
১১. 'মোহেন-জো-দড়ো'ৰ অৰ্থ কি ?
১২. আমাৰ দেশত লং আৰু জালুক ক'ত অধিকভাবে ওপজে ?
১৩. উইম্বলডেন চ্যাম্পিয়ানশ্বিপ কেতিয়াৰপৰা আৰম্ভ হৈছিল ?
১৪. আমাৰ দেশৰ দবা-চ্যাম্পিয়ান কোন ?
১৫. জয়শংকৰ প্ৰসাদ ৰচিত সুবিখ্যাত কাব্যগ্ৰন্থৰ নাম কি ?
১৬. 'বন্দেমাতৰম্' গীতৰ ৰচক কোন ?

উত্তৰ

১. লৰ্ড ওৱাভেল।
২. কিউবাত।
৩. চন্দ্ৰগুপ্ত বিক্ৰমাদিত্য।
৪. ইতালি।
৫. অশ্বঘোষ।
৬. ওৱালটাৰ হান্ট।
৭. অৰুণাচল প্ৰদেশ।
৮. মণিপুৰত থকা 'মধুপুৰ ন্যাশ্বনাল পাৰ্ক'।
৯. উত্তৰ আফ্ৰিকাত।
১০. ছাইবেৰিয়া (—৫০ চেন্টিগ্ৰেড)।
১১. হেৰাই যোৱা বা মৃত সভ্যতা।
১২. কেৰল ৰাজ্যত।
১৩. ১৮৮৭ চনৰপৰা।
১৪. বিশ্বনাথন আনন্দ।
১৫. কাময়ানী।
১৬. বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়।



সমাজ-সংস্কাৰক

মোহন আৰু মহিম নৰ-দম্পতি। এই নৰদম্পতিহাল যেতিয়া গৰুৰ গাড়ীৰে এঠাইলৈ গৈ আছিল, তেতিয়া, এটা ডাঙৰ পুখুৰীৰ আগত মোহনে গাড়ীখন ৰখালে আৰু তাত নামিলে। পুখুৰীটোৰ গাতে লগা এটা খাপৰিইটাৰ ঘৰ আছিল। এই ঘৰটোৰ তিনিওফালে শাক-পাচলিৰ খেতি। খেতিত কাম কৰি আছিল এহাল বাওনা দম্পতি। এইহাললৈ চাই মোহনে হাঁহি ৰখাব নোৱাৰিলে।

তেতিয়া মোহনৰ পত্নী মহিমাই গিৰিয়েকক সুধিলে, "সেইহালক দেখি হাঁহি আছেনো কিয় ?"

"ছমাহমানৰ আগৰ-এটা ঘটনা কথা মনত পৰাতহে হাঁহিছোঁ। শুনা তেন্তে—।" এই বুলি কৈ, মোহনে সিদিনাৰ সেই ঘটনাটোৰ কথা ক'বলৈ ধৰিলে :

"প্ৰায় ছমাহমানৰ আগতে এদিন এই বাটেদি গৈ থাকোঁতে বানপানীৰ প্ৰকোপত আটক হৈ পৰিলোঁ, আৰু আগ বাঢ়ি যাব নোৱাৰিলোঁ। যিখন গাড়ী ভাড়ালৈ লৈ আহিছিলোঁ, গাড়ীখনো মোক বাটতে এৰি থৈ গুচি গ'ল।

তিমানতে সাঁজ লাগি ভাগোঁ ভাগোঁ। তেতিয়াও—সঁতা ধৰা নহ'লেও আছাৰে-কনীয়া চলিয়েই আছিল। মোহনে এই খাপৰি ইটাৰ বন্ধ ঘৰটোত টুকুৰিয়ালেহি। টুকুৰিউৰাত—এজনী বাউনীয়ে দুৱাৰ খুলি দিলে আৰু মোহনক সুধিলে, "আপুনি কোন ? কি লাগে ?"

"বানপানীৰ কাৰণে ইয়াত আটক হৈ পৰিছোঁ। ৰাতিটোৰ কাৰণে — অলপ

কৰ্ণ কলিতা

আশ্ৰয় পামনে ইয়াত?"

"ই-ও কোনো কথা হ'লনে?"

এই কথা কৈ কৈ ঘৰৰ ভিতৰৰপৰা মানুহ এজন ওলাই আহিল। এই মানুহজনো বাওনা।

তাৰ পাছত কথা চমু। খোৱা-বোৱা হ'ল। কথাই কথাই বাউনীয়ে নিজক কোৱাদিয়েই ক'লে, 'মোৰ ভাইটো—ৰাজুটোযে কিয় এতিয়ালৈকো উভতি নাহিল—কেতিয়া যে পাবহি'—। বুলি কৈ কৈ ৰাজুৰ কাৰণে ভাত-আঞ্জা কাঁহী এখনত বাঢ়ি আছুতীয়াকৈ থৈ দিলে।

গিৰিহঁতনীয়ে মোহনক ঘৰৰ ঘাই দুৱাৰৰ লগৰ কোঠাটোত শুবলৈ দিলে।

মাত্ৰ টোপনিৰ জালত পৰিছেহে, ঠিক তেতিয়াই দুৱাৰত ধকিউৱাৰ শব্দ শুনি মোহন জাঁপ মাৰি উঠি বহিল আৰু চিঞৰি কৈ উঠিল, "কোন—?"

"মই—, মই ৰাজু।"

মোহনে লগে লগে দুৱাৰ খুলি দিলে।

কিন্তু—এই মানুহটো ৰাজু নাছিল, আছিল মুখা পিন্ধা মানুহ এটা। তাৰ হাতত চকচকীয়া ডেগাৰ। সি মুখাপিন্ধাই ডেগাৰখন বাউনীৰ ডিঙিলৈ টোঁৱাই মোহনক ক'লে, "যদি এখোজো আগ বাঢ়িছা তাইৰ ডিঙি কাটি দিম—তাইক খতম কৰিম।" গতিকে — ইচ্ছা থকা সত্বেও মোহনে লৰ-চৰ কৰিব নোৱাৰিলে।

তাৰ পাছত মুখাপিন্ধা মানুহটোৱে মোহনৰ যথাসৰ্বস্ব আৰু গিৰিহঁতৰো যথাসৰ্বস্ব লুটপাট কৰি টোপোলাত বান্ধি ঘৰৰ দুৱাৰত বাহিৰৰপৰা শিকলি উঠাই দি নিৰ্বিঘিনিৰে গুচি গ'ল।

মোহনৰ বৰ আফচোচ হ'ল। কিয়নো —দুৱাৰ ধকিউৱাৰ লগে লগে সি দুৱাৰ খুলি নিদিয়াহেঁতেন গিৰিহঁত নিশ্চয় এনেকুৱা অথন্তৰত নপৰিলহেঁতেন। তাৰ কাৰণেই এই দুখলগা কাণ্ড হ'ল।

মোহনে যেতিয়া গিৰিহঁতৰপৰা ক্ষমা

প্ৰাৰ্থনা কৰা হ'ল—তেতিয়া গিৰিহঁত বাওনাই ক'লে, 'আপুনি কেলেইনো ক্ষমা খুজিছে? আপুনি উপস্থিত বুদ্ধিৰে সহায় নকৰাহেঁতেন তাইক সি মুখাপিন্ধাই কাটিহে পেলালেহেঁতেন। গতিকে—আপুনি হ'ল আমাৰ প্ৰাণদাতা।"

ঘৰতে পাই মোহনে কথাটো তাৰ মাকক কোৱাত মাকে সেই বাওনা-বাউনীক এহেজাৰ টকা দি আহিবলৈ পৰামৰ্শ দিলে মোহনক। নহ'লেনো সেইহাল দুখীয়াই কৰিব কি? সিহঁত-হালৰো তো যথা সৰ্বস্ব লৈ গ'ল চোৰটোৱে।

মাকৰ কথামতে এহেজাৰ টকা জেপত লৈ মোহন এদিন তালৈ গ'ল। সেই ঘৰটোৰপৰা অলপ আঁতৰত থাকোঁতেই মোহনে সিদিনাৰ সেই মুখাপিন্ধা মানুহটোক তাত দেখা পাই এজোপা ডাঙৰ গছৰ আঁৰত লুকাই মুখাপিন্ধাৰ পিনে লক্ষ্য কৰি থাকিল। সেই মুহূৰ্তত ঘৰৰপৰা বাউনীও ওলাই আহিল আৰু সেই মুখাপিন্ধা চোৰটোক বাউনীয়ে গুন-গুনকৈ কিবা ক'লে যেন।

এতিয়া মোহনে আচল কথা ঠাৰৰ কৰিব পাৰিলে। এই মুখাপিন্ধা মানুহটো আচলতে বাওনা-বাউনীৰ নিজৰ মানুহ। ইহঁত তিনিওটাই মিলি বিপদত পৰা বাটৰুৱাক ধৰি সৰ্বনাশ কৰে।

বাউনী আগতেই ঘৰলৈ গৈছিল, এইবাৰ মুখাপিন্ধা মানুহটো—অৰ্থাৎ সিদিনাৰ সেই চোৰটোও ঘৰৰ দুৱাৰৰ কোঠাটোত সোমালগৈ।

আৰু লগে লগে—চোৰটোৰ পিছে পিছে মোহনও সোমাল আৰু চোৰটোৰ ডিঙিত টিপা মাৰি ধৰি শুৱিয়াই তাক বগৰাই পেলাই তাত থকা চুৰিয়া এখনেৰে তাৰ মুখ আৰু হাত-ভৰিও কটকটীয়াকৈ বান্ধি পেলালে। তাৰ পাছত মোহনে তাৰ—অৰ্থাৎ চোৰটোৰ পোছাক-পাতিখিনি

পিন্ধি ল'লে আৰু দুৱাৰত খটখটাই ক'লে, "দুৱাৰ খোলক, মই ৰাজু।"

বাছকবনীয়া সাজ-পাৰ পিন্ধি থকা যাঠি বছৰীয়া এজন খীণ-মীন মানুহে কোঠাৰ দুৱাৰ খুলি ক'লে, "ৰাজু? তোমাৰ বাইদেউৰাই তোমাৰ কাৰণে বৈ আছে। আহাঁ, সোমাই আহাঁ।"

কিন্তু মুখাপিন্ধা মোহনক দেখা পায়েই এই মানুহজনে ধাৰৰ নলকঁপা দি থাকিল আৰু চাওঁতে চাওঁতে অচেতন হৈ মজিয়ালৈ বাগৰি পৰিল। এওঁ আছিল যোৱা ৰাতি ইয়াত আশ্ৰয় লোৱা এজন বাটৰুৱা।

বাউনীয়ে এইবোৰ কথা-কাণ্ডৰ একোৱেই ক'ব নোৱাৰে। তাই যথাৰীতি 'ৰাজু আহিলি—?' বুলি কৈ কৈ কোঠাটোত ভৰি দিয়েই মোহনক চিনি পাই 'আইঔ—' বুলি কৈ চিঞৰি উঠিল।

মোহনে তাইৰ ডিঙিত ডেগাৰখন হেঁচি ধৰি ক'লে, "তোমাৰ গিৰিয়েকটো ঘৰত নাই যেন লাগিছে। মোহনে বাউনীৰ ডিঙিত থকা সোণৰ হাৰ এডাল আৰু হাতত থকা খাৰু আদি টোপলাত বান্ধি লৈ তাইক কোঠাত বন্ধ কৰি পেলাই থ'লে।

তাৰ পাছত মোহনে সিহঁতক এইবোৰ প্ৰতাৰণাৰ কাম এৰি সিহঁতৰ ঘৰৰ চাৰিওফালে থকা মাটিত শাক-পাচলি ওপজাই তাৰে জীৱিকা নিৰ্বাহ কৰাৰ উপদেশমূলক চিঠি এখন লিখি থৈ, সেই নিৰ্দোষী বাটৰুৱাজনক সকলো কথা বুজাই কোৱাৰ অন্তত মুক্ত কৰি দিলে।

সকলো কথা শুনাৰ অন্তত মহিমাই মোহনক ক'লে, "আপুনি কেৱল বুদ্ধিমানেই নহয়, প্ৰকৃততেই এজন সমাজ-সংস্কাৰক। আৰু—বাওনা-বাউনীহালে যে আপোনাৰ উপদেশ মানি এতিয়া খাটি খাইছে — তাৰ কাৰণে সেইহালো ধন্যবাদৰ পাত্ৰ।"

সমবাদ-বিসমবাদ

গা-ধোৱক—কমপিউটাৰেৰে!



নানান লেঠা গা ধোৱাৰ—নোধোওঁ গা—বুলি ভবাৰ দিন আৰু নাই। এতিয়া—মাত্ৰ আপুনি গা-ধোৱা বাকচ এটাত দয়া কৰি সোমাওক, সোমাই—বহি বা শুই থাকক, গা-ধোৱাৰ বাদবাকী কামৰ কাৰণে আপুনি এটা আঙুলিও আৰু লাড়িব নালাগে—যি কৰে কৰিব 'বাছুৰোবো' নামৰ গা-ধোৱা কমপিউটাৰে। হয়, বহুদিন ধৰি গৱেষণা কৰি জাপানেই এই গা ধোৱা কমপিউটাৰ যন্ত্ৰটি উলিয়ালে। আপুনি মাত্ৰ বাকচটোত বহক, বা লাগিলে শোৱকেই—আপোনাক চাবোন-পানীৰে ভালকৈ চাফা কৰি একেবাৰে ফিটবাবুটি কৰালৈকে সকলো কাম কমপিউটাৰীয় 'বাছু-ৰোবো'ই কৰি দিব। অৱশ্যে—শ্বাম্পু কৰিবলৈ হ'লে আপুনি নিজেই কৰিব লাগিব, যদিও ধোৱা-পখলা কৰি দিব 'ৰোবো'য়ে। জাপানৰ পাঁচটা কম্প্যানিয়ে মিলি এই 'বাথৰোবোট' বনালে। দামো বৰ বেছি নহয় প্ৰায় ঘৰে-ঘৰে কিনিবপৰা বিধৰেই। কি বোলেনে—দয়া কৰি চকু মুদি পঞ্চেকৰ কাৰণে মুখ নিৰক আৰু উশাহ বন্ধ কৰক, আৰু তাৰ পাছত শুনক: দাম—মুঠেই চৌধ লাখ টকা!

ইংলিছ চ্যানেলত ঘৰ!

১৯ শতিকাৰ গড় এটা সম্প্ৰতি অট্টালিকালৈ ৰূপান্তৰিত হৈছে। এই অট্টালিকাত 'নাই' বোলা একো নাই, কোনো কথাতে নাইৰ মূৰত হাত দিয়াত নাই। ফৰাছিসকলে ইংৰাজক অকস্মাৎ আক্ৰমণ কৰিবহি বুলি ভয় খাই তেতিয়াৰ কালত ইংৰাজে ইংলিছ চ্যানেলত এই দুৰ্গ নিৰ্মাণ কৰিছিল। ইয়াত পঞ্চাছটা বৰতোপৰে সৈতে চাৰিশ সৈন্য বসবাস কৰিবপৰা বন্দবস্ত আছিল। এতিয়া তাহানিৰ সেই দুৰ্গক বিলাসবহুল অট্টালিকালৈ ৰূপান্তৰিত কৰা হৈছে আৰু তাৰ বাবে ৬,২৫০,০০০ ডলাৰ ব্যয় কৰা হৈছে। এই অট্টালিকাত এটি লাইটহাউজ আৰু হেলিকপ্টাৰ নামিব-উৰিবপৰা হেলিপ্যাডও এখন আছে!



সাধাৰণ-অসাধাৰণ

দেশব্যাপী পৰিভ্ৰমণ কৰি সাধু এগৰাকী এদিন গৈ গৈ লখিমীপুৰ গাঁও পালেগৈ। তাৰ সাধুৱে একটা সৰোবৰৰ পাৰত থকা বৰগছ এজোপাৰ তলত খানিকা পাতিলে। সাধুৱে গাঁৱৰ ৰাইজক বেদ-বেদান্ত সহজ-সৰল ভাবে বুজাই কয় আৰু গাঁৱৰ ৰাইজেও সাধুক মাতি নি ভোজন কৰায়।

এদিন লক্ষ্মণদাস নামৰ এজনৰ ঘৰত সাধুগৰাকীয়ে যেতিয়া ভোজন কৰি আছিল, তেতিয়া গুৰুপদ নামৰ মানুহ এজন লক্ষ্মণৰ ঘৰলৈ আহিল আৰু লক্ষ্মণক ক'লে, "ডাঙৰীয়া, আপোনাৰ টকাখিনি কালিলৈ দিম বুলি কথা দিছিলোঁ, কিন্তু —দিওঁতে আৰু এমাহমান লাগিব।"

লক্ষ্মণে ক্রুদ্ধ কণ্ঠেৰে ক'লে, "কি ক'লা? আৰু এমাহ? কিয়হে? তোমাক টকা ধাৰলৈ দিয়াটো ভুলেই হ'ল!"

এইবোৰ কথা-কাণ্ডলৈ চাই সাধুৱে লক্ষ্মণদাসক ক'লে, "বোপা, ক্রোধ সদায়েই অনৰ্থদায়ক। ক্রোধ নকৰাটোৱেই বুদ্ধিমত্তাৰ কাম।"

লক্ষ্মণদাসে নম্ৰতাৰে সাধুক ক'লে, "হে মহাত্মা! ক্রোধ মোৰ আছে ঠিকেই, কিন্তু মোৰ ক্রোধ ক্ষণস্থায়ী, আৰু কাৰো পক্ষে অনিষ্টকৰ নহয়।

- সাধুৱে লক্ষ্মণক প্ৰশংসা কৰিলে আৰু ক'লে, "ক্রোধক বশীভূত ৰখাটো এটা ডাঙৰ সদগুণ। তোমাৰ ক্রোধ যে ক্ষণিকৰ, স্থায়ী নহয়, সি-ও প্ৰশংসনীয়।"

সাধুৱে তেওঁৰ কথা নৌশেষ কৰিবলৈ পাওঁতেই লক্ষ্মণৰ প্ৰতাপ নামৰ বন্ধু এজন আহিল। প্ৰতাপে আহাৰ কৰি থকা সাধুক দেখা পাই বক্রোক্তি কৰি ক'লে, "এইবোৰ আনৰ ওপৰত বৰ্তি থকা সমাজৰ

ৰঘুমলাবিলাকক বিনা শ্ৰমেৰে ৰজাৰ দৰে ভোজন কৰোৱাটো এটা অন্যায় কাম।”

এই কথা শুনি লক্ষ্মণ অতি দুঃখিত হ'ল আৰু সাধুৰপৰা ক্ষমা প্ৰাৰ্থনা কৰিলে। তেতিয়া সাধুৱে লক্ষ্মণক ক'লে, “এইবোৰ ব্যক্তিগত মত। মত যিমান — পথো সিমান। তোমাৰ বন্ধুৰ মতামতৰ কাৰণে তেওঁৰ দোষ-ক্ৰুটি নধৰিবা।” এই বুলি কৈ, মিচিকীয়াই হাঁহি, সাধু তাৰপৰা গুচি গ'ল।

কেইদিনমানৰ অন্তত লক্ষ্মণ বৰগছৰ তললৈ আহিল সাধুবাবাক দৰ্শন কৰাৰ মনেৰে। তাত গাঁৱৰ ভাস্কৰকো লগ পালে।

ভাস্কৰক দেখা পায়েই লক্ষ্মণে ভাস্কৰৰ হাতত থাপ মাৰি ধৰি ক'লে, “বোলোঁ ঐ, কিমান দিন মোৰপৰা সাৰি থাকিবি?”

সাধুৱে লক্ষ্মণক ক'লে, “শান্ত হোৱাঁ, বোপা, শান্ত হোৱাঁ। কথানো কি?”

লক্ষ্মণে ভাস্কৰৰ হাতখন এৰি দিলে আৰু ক'লে, “হে প্ৰভু! কিছুদিনৰ আগতে—মই মন্দিৰত পূজা দি থাকোঁতে ই মোক ইতিকিং কৰি কৈছিল যে— পাপীয়েহে ইমানকৈ পূজা দিয়ে। ই সকলোটিৰ আগত মোক ইচ্ছাকৃতভাবে অপমান কৰিছিল।”

সাধুৱে লক্ষ্মণক বুজনি দি ক'লে, “আনৰ মনত দুখ লগোৱা কথা ক'ব নাপায়।”

ঠিক তেতিয়াই প্ৰতাপ তাত উপস্থিত হ'ল আৰু প্ৰতাপে সাধুক ক'লে, “হে



বাবা! সাধু-সজ্জনৰ মাহাত্ম্য আৰু মহত্ত্ব নজনাকৈয়েই মই অগিয়ানে কিছুদিনৰ আগতে আপোনাক অপমান কৰিছিলোঁ। মোক ক্ষমা কৰক, প্ৰভু!"

সাধুৱে মিঠাকৈ হাঁহিৰে ক'লে, "তোমাৰ কি অপৰাধ—মই দেখোন একোৱেই মনত পেলাব পৰা নাই নহয়। তোমাৰ কি কষ্ট কোৱাচোন? যদি মই নিঃকিনে তোমাৰ কষ্ট লাঘৱ কৰিব পাৰোঁ—নিশ্চয় লাঘৱ কৰিম।"

প্ৰতাপে ক'লে, "হে বাবা, মোৰ পৰিবাৰৰ টান অসুখ হৈছে, গাঁৱৰ বেজে কৈছে—এই অসুখ শৰীলৰ নহয়, হেনো মনৰ। কিছুমান দুষ্ট গ্ৰহইহে হেনো তাইক এনেকুৱা দুৰৱস্থাত পেলাইছে। একমাত্ৰ সাধুবাবাইহে হেনো তাইক ভাল কৰি তুলিব পাৰিব।"

সাধু প্ৰতাপৰ ঘৰলৈ গ'ল আৰু মন্ত্ৰ উচ্চাৰণ কৰিলে। পাছদিনাই প্ৰতাপৰ পৰিবাৰ সুস্থ হৈ উঠিল।

বিস্মিত লক্ষ্মণ দাসে সাধুক ক'লে, "প্ৰতাপে আপোনাক অবাবতে অপমান কৰিলে, আৰু—আৰু আপুনি সেই প্ৰতাপৰ ঘৰলৈ গৈ তাক চিন্তাৰপৰা মুক্ত কৰি দিলে। আপুনি সঁচাকৈয়েই মহানুভৱ, অসাধাৰণ মানৱ!"

সাধুৱে হাঁহি মাৰি ক'লে, "মোত আৰু তোমাত দৰাচলতে কোনো পাৰ্থক্য নাই। তুমি আনক গালি পাৰিয়েই পাছ-মুহূৰ্ততেই পাহৰি পেলোৱা, আৰু মোক আনে গালি পাৰিলে ময়ো পাহৰিয়েই পেলাওঁ। মই অকাৰণে কাকো সামান্যতম দুখ দিবলৈকো ভাল নাপাওঁ। মোৰপৰা কোনেও যেন কোনো আঘাত নাপায়—দুখ-বোধ নকৰে, মোৰ মুখৰপৰা যাতে কদাপি কোনো বেয়া কথা নোলায়—তাৰ প্ৰতি মই সদায় সচেতন হৈ থাকোঁ—কথা ইমানেই। সাধাৰণেই হ'ল অসাধাৰণ।"

ৰামৰাজ্যত সকলোৰে কাৰণে সমান বিচাৰ সমান আচাৰ। ৰামচন্দ্ৰ ৰজাৰ কাষ চাপিবলৈ কোনো আয়োজনৰ প্ৰয়োজন নাই, যেৱে-সেৱে যেতিয়াই তেতিয়াই কাষ চাপিব পাৰে, কোনো বাধা নাই, ভেদাভেদ নাই।

এদিন তেজেৰে লুতুৰি-পুতুৰি হোৱা কুকুৰ এটাই ৰামচন্দ্ৰৰ প্ৰাসাদৰ আগত থিয় হৈ ভুকিবলৈ ধৰাত শ্ৰীৰামচন্দ্ৰ প্ৰাসাদৰ পৰা ওলাই আহিল আৰু কুকুৰটোৰ গায়ে-মূৰে হাত বুলাই থাকিল। লগে লগে—ৰামচন্দ্ৰৰ কৰস্পৰ্শেৰে কুকুৰটো সম্পূৰ্ণ সুস্থ হৈ উঠিল আৰু ৰামচন্দ্ৰক কৈ থাকিল ঃ

"হে ৰামচন্দ্ৰ প্ৰভু আমাৰ! মোক যুৱা এজনে মোৰ বিনা অপৰাধত অন্যায়-ভাবে আৰু অতি নিৰ্মমভাবে লাঠীৰে কোবালে। মোৰ প্ৰাৰ্থনা, আপুনি সেই যুৱকক কোনোবা ডাঙৰ দেৱালয়ৰ ধৰ্ম-কৰ্তা তথা প্ৰধান পুৰোহিতৰূপে নিযুক্তিৰ বন্দৱস্ত কৰি দিয়ক।"

কুকুৰটোৰ এনে অভিনৱ প্ৰাৰ্থনাৰ কথা শুনি ৰামচন্দ্ৰই আচৰিত মানি ক'লে, "যুৱকে অন্যায়ভাবে তোমাক কোবালে, আহত কৰিলে। গতিকে—তুমি তাৰ কাৰণে মৃত্যুদণ্ডহে খুজিব লাগিছিল। কিন্তু—তোমাৰ ইমান অপকাৰীৰ বাবে কুকুৰটোৱে উপকাৰ প্ৰাৰ্থনাৰ হেতু কি?"

'দ্বাপৰৰ যুগান্ত'



“পূৰ্ব-জনমত মই এক দেৱালয়ৰ প্ৰধান ধৰ্মকৰ্তা হৈ আছিলোঁ। কিন্তু মই দেৱালয়ৰ সম্পদ-সম্পত্তি অপহৰণ আৰু অন্যান্য সকলোবিধৰ পাপকাৰ্য কৰাত পৰৱৰ্তী জনমত কুকুৰ হৈ জনম ল'লোঁ। এই যুৱকৰো মোৰ দশা হওক—এয়ে মোৰ আন্তৰিক ইচ্ছা।” এই বুলি কোৱাৰ পাছ মূহূৰ্তত কুকুৰটোৰ মৃত্যু হ'ল।

*

এদিন ব্ৰাহ্মণৰ ছদ্মবেশত স্বয়ং যম ৰামচন্দ্ৰৰ ওচৰলৈ আহিল আৰু ক'লে, “হে ৰামচন্দ্ৰ! আপোনাৰ সৈতে মোৰ কিছু কথা আছে। কিন্তু আমাৰ কথাৰ মাজত যদি আন কোনোবা ওলায়হি, তাৰ মস্তক কাটি পেলাব লাগিব।”

ব্ৰাহ্মণৰূপী যমৰ কথাত ৰামচন্দ্ৰ সন্মত হ'ল আৰু লক্ষ্মণক এই কথা বুজাই কৈ কক্ষৰ দুৱৰী হিচাপে থাকিবলৈ ক'লে।

অলপ পাছত তালৈ হেঁপাই-ফোঁপাই দুৰ্বাসা মুনি উপস্থিত হ'লহি। দুৰ্বাসা মুনিয়ে লক্ষ্মণক ক'লে, “মই ৰামৰ সৈতে জৰুৰী কথা পাতিম। যদি মোক যাবলৈ নিদিয়া, ৰঘুবংশৰ সৰ্বনাশ হ'ব।”

দুৱৰী লক্ষ্মণ মহা বিপাকত পৰিল। তেওঁৰ আগত গজহস্তী, পাছত মাৰখাৰৈ। লক্ষ্মণে ভাবিলে: মই দুৰ্বাসামুনিকো ভিতৰলৈ যাবলৈ দিম আৰু নিজৰ মস্তক কাটিবলৈকো দিম। দুৰ্বাসাৰ শাপৰপৰা ৰঘুবংশক ৰক্ষা কৰাৰ উপায়—আন নাই।

এই কথা ভাবি, দুৰ্বাসামুনিৰ আগমনৰ সমাচাৰ দিবলৈ লক্ষ্মণ কক্ষৰ ভিতৰলৈ যোৱাৰ লগে লগেই যমৰাজ অদৃশ্য হ'ল।

ৰামচন্দ্ৰই নিজ মুখেৰে প্ৰদত্ত বচন অনুসাৰে লক্ষ্মণৰ মস্তক ছেদন কৰিবলৈ আদেশ দিলে। কিন্তু ৰামৰ সেই আদেশ কাৰ্য্যকৰী কৰা ব্যক্তিবৰ্গই পৰস্পৰৰ মাজত আলোচনা কৰি লক্ষ্মণক মৃত্যুদণ্ডৰ সলনি দেশৰপৰা বহিষ্কাৰ-দণ্ডৰ বিধি দিলে। মৃত্যুদণ্ড আৰু বহিষ্কাৰ-দণ্ড আছিল

সমাৰ্থক। কিন্তু লক্ষ্মণে এই বাৰ্তা শুনি সৰযূ নদীৰ বুকুলৈ জঁপিয়াই পৰি আত্মজাহ দিলে।

স্তম্ভিত-হতচকিত ৰামচন্দ্ৰই তেওঁৰ অন্যান্য ভ্ৰাতৃকো ঘটনাৰ বিবৰণ বুজাই ক'লে। তাৰ পাছত তেওঁ লৱ-কুশৰ ৰাজ্যাভিষেকৰ বন্দৰস্ত কৰিবলৈ আদেশ প্ৰদানি হনুমানক ক'লে, "হে হনুমান, মই দীৰ্ঘকাল ধৰি অযোধ্যাৰ প্ৰজাপালন তথা ৰাজ্য-শাসন কৰিলোঁ। এতিয়া মোক বিশ্ৰাম লাগে। মই অযোধ্যাত থাকোঁ বা নাথাকোঁ, তুমি লৱ-কুশৰ অভিভাৱক তথা পৰিচালকৰূপে থাকিবা—এয়ে মোৰ অন্তৰৰ বাসনা।"

হনুমানে হস্ত যুৰি মৌন হৈ থাকিল আৰু তলমূৰ হ'ল। সৰযু নদীলৈ ৰামচন্দ্ৰ পদব্ৰজে গৈ থাকিল। তেওঁৰ আগে আগে গৈ থাকিল বেদধ্বনিৰে মংগল-ধ্বনিৰত ব্ৰাহ্মণগণ। ভৰতে ৰামচন্দ্ৰৰ মস্তকোপৰি ছত্ৰ ধাৰণ কৰি গৈ থাকিল। ৰামচন্দ্ৰৰ যাত্ৰাপথত উচ্চ উচ্চ অট্টালিকা-সমূহৰপৰা পুষ্পবৃষ্টি হৈ থাকিল। হনুমানো মৌনভাবে ৰামচন্দ্ৰৰ পিছে পিছে গৈ থাকিল। হনুমানৰ মুখমণ্ডলত আছিল সুগভীৰ নিৰাশাৰ চিহ্ন।

হনুমান লৱ-কুশৰ ওচৰত দণ্ডায়মান হৈ আছিল। হনুমানে অশ্ৰুৰুদ্ধ কণ্ঠেৰে ক'লে, "হে শ্ৰীৰাম! ক্ষন্তেক ৰওক।



আপোনাৰ আগতে ময়েই প্ৰাণ বিসৰ্জিম!"

ৰামচন্দ্ৰই ক'লে, "হনুমান! তুমি চিৰজীৱি হোৱাঁ। তুমি লৱ-কুশক লগত লৈ এতিয়াই এই স্থান পৰিত্যাগ কৰি গুচি যোৱা।" ৰামচন্দ্ৰই হনুমানক আদেশ দিয়াৰ দৰে ক'লে আৰু হনুমানেও শ্ৰীৰামৰ আদেশ অৱনত মস্তকেৰে পালন কৰিলে। হনুমানে শান্তভাৱে লৱ-কুশক লগত লৈ ৰাজভৱনলৈ উভতি আহিল।

ৰামচন্দ্ৰ সৰযূৰ সুগভীৰ জলৰাশিলৈ আগুৱাই গ'ল। পাছমুহূৰ্তত শ্ৰীৰামক আৰু সৰযূ-বক্ষত দেখা নগ'ল। শ্ৰীৰামৰ সৈতে ভৰত-শত্ৰুঘ্নও নিমজ্জিত হ'ল। ৰামনাৱতাৰ এইখিনিতে সমাপ্ত হ'ল।

লক্ষ্মণ আগতেই ক্ষীৰসাগৰত 'আদিশেষ' ৰূপে শোভায়মান হৈ আছিল। তাত সীতা দেৱীও আছিল শ্ৰীৰামৰ প্ৰতীক্ষাৰত। শ্ৰীৰামচন্দ্ৰ ই বিষ্ণুৰ ৰূপত শেষ-শয্যাত আসীন হ'ল। ভৰত আৰু শত্ৰুঘ্ন শঙ্খ-চক্ৰ ৰূপে শ্ৰীৰামচন্দ্ৰৰ শ্ৰীহস্তত যাৱচ্চন্দ্ৰদিৱাকৰ বিৰাজিত হৈ থাকিল।

*

এদিন সিংহাসনত উপৱিষ্ট লৱ আৰু কুশে মাতৃ-পিতৃক সুঁৱৰি অশ্ৰু বিসৰ্জি থাকোঁতে হনুমানে সান্ত্বনা-বাক্যেৰে লৱ-কুশক ক'লে, "তোমালোক হ'লা ৰঘুবংশৰ জ্যোতি। অযোধ্যাৰ মংগলামংগল তোমালোকৰ ওপৰত নিৰ্ভৰশীল। গতিকে—কোনো ধৰণৰ বিলাপ প্ৰকাশ তোমালোকৰ পক্ষে, আৰু প্ৰজাবৰ্গৰ পক্ষেও বিড়ম্বন। যি কি নহওক। তোমালোকে যেতিয়াই তোমালোকৰ পিতা-মাতাক দৰ্শনৰ মন কৰিবা, মোক ক'বা, ময়েই তোমালোকক দেখুৱাম। এয়া চোৱাঁ, তেওঁলোক মোৰ বক্ষস্থলত কিমান সুখ-শান্তিৰে আছে।" এই বুলি কৈ হনুমানে তেওঁৰ বক্ষস্থল ফালি লৱ-কুশক দেখুৱালে—ৰাম-সীতা একাসন।

ডাঙৰ হৈ লৱ-কুশে সুদক্ষ শাসন

তথা পালন-কুশলতা আৰ্জিছিল। পূৰ্ব দিশত মণিপুৰত আৰু পশ্চিমত মথুৰা-নগৰীত লৱ-কুশে উপ-ৰাজধানী পাতিছিল। কুশে শোভাৰে সৈতে মণিপুৰত আৰু লৱে শোভাৰে সৈতে মথুৰাপুৰীত আছিল।

লৱ-কুশৰ ৰাজত্বত এসময়ত দেশত এক মহাবিপদে মূৰ দাঙিলে। ৰাক্ষসতকৈও ভয়ংকৰ 'ঘোৰকলি' নামৰ নৰ-ৰাক্ষসে দেশ আক্ৰমণ কৰিলে, ঘোৰকলিৰ লগত আক্ৰমণত হাত উজান দিলে শক, কুষাণ, পাষাণ আদি পাৰ্বত্যজাতিৰ সেনাধিপতিহঁত। আৰু—ঘোৰকলিয়ে আক্ৰমণ কৰাৰ লগে লগে 'কালকলি' নামৰ অন্য এটা নৰ-ৰাক্ষসেও 'কালকেয়' নামৰ সমুদ্ৰী-ৰাক্ষসক লগত লৈ একযোগে আক্ৰমণ কৰিবলৈ ওলাল। ইহঁতৰ ঘাই উদ্দেশ্য আছিল দেশব্যাপী লুটপাত। দেশৰ প্ৰজা ভয়তে থৰহৰি কম্পমান।

এনে অৱস্থাত হনুমান সক্ৰিয় হৈ উঠিল। তেওঁ প্ৰজাবৰ্গক শান্ত মনেৰে নিজ নিজ কৰ্তব্যকৰ্ম কৰিবলৈ উদগালে আৰু প্ৰজাবৰ্গৰ মাজৰপৰা অসংখ্য যুৱাক একত্ৰিত কৰি 'ৰাম-সেনা' গঠন কৰিলে আৰু যুদ্ধৰ প্ৰশিক্ষণো দিবলৈ ধৰিলে। এইদৰে, দেশব্যাপী পৰিভ্ৰমণ কৰি প্ৰজাবৰ্গৰ মানত দেশৰক্ষাৰ বাবে দেশাত্মবোধ জাগ্ৰত কৰিলে।

হনুমানে জনসাধাৰণক ক'লে, "শ্ৰীৰামচন্দ্ৰ পালিত ৰামৰাজ্যৰ আপামৰ প্ৰজা যদি ৰাম-সেনাৰ অংগীভূত হয়, তেনেহ'লে- জগতৰ কোনো শক্তিয়েই সেই বিশাল-বিপুল ৰামসেনাৰ আগত তিষ্ঠিব নোৱাৰিব। আপোনালোক বিন্দুমাত্ৰ ভীত-সন্ত্ৰস্ত হোৱাৰ কোনো কাৰণ নাই। জঘন্য এটা-দুটা ৰাক্ষসৰ শকতিনো কিমান আমাৰ ঐক্যবদ্ধ শক্তিৰ আগত?"

হনুমানে নিজেও দুয়োটা ৰাক্ষসৰ বিৰুদ্ধে প্ৰচণ্ডভাৱে যুঁজি থাকিল। কুশে

ঘোৰকলিক অগ্নি বাণেৰে সংহাৰিলে আৰু ৰামসেনাই ঘোৰকলিৰ অনুচৰহঁতক পদাপাল দেখুৱাই খেদি পঠালে।

ইপিনে—লৱেও কালকলিক বোন্দা থেকেচা দিয়াৰ অন্তত বৰুণাস্ত্ৰেৰে যমৰ আলহী কৰিলে। ৰামসেনাহঁতে অপাৰ উৎসাহেৰে কালকলি-কালকেয়ৰ ৰাক্ষস অনুচৰহঁতক এফালৰপৰা কচুকটা দি আছিল। কালকলি-কালকেয়ৰ সংহাৰৰ অন্তত সেই 'বীৰ' অনুচৰহঁতে ফেঁটীৰ মূৰ ছিঙা লৰ দি পলাল।

এই মহান বিজয়লাভৰ অন্তত হনুমানে প্ৰজাবৰ্গক সম্বোধি ক'লে, "শ্ৰীৰামচন্দ্ৰ শান্তিময় ৰামৰাজ্যৰ আপামৰ প্ৰজা হ'ল লৱ-কুশৰ ভ্ৰাতৃপ্ৰতিম। সকলো ভ্ৰাতৃ একেলগ হৈ থাকক, একেলগ হৈ আগ বাঢ়ক। ইজনৰ কষ্ট সিজনে লাঘৱ কৰি থাকক। সিজনৰ দুখত ইজনে দুখ অনুভৱ কৰক। ৰামৰাজ্যত অশান্তিৰ স্থান নাই।"

যুদ্ধ সমাপ্ত হোৱাৰ অন্তত হনুমানে লৱ-কুশক ক'লে, "মৰমৰ লৱ আৰু কুশ, যদিও ব্যথাভৰা অন্তৰেৰে কৈছোঁ, তথাপি ক'বই লাগিব, মই এতিয়া পুনৰ গন্ধমাদন পৰ্বতলৈ গমন কৰিবলৈ মন কৰিছোঁ।"

হনুমানৰ সময়োচিত প্ৰস্তাৱত লৱ-কুশ একান্ত দুখ মনেৰে হ'লেও সন্মত নহৈ নোৱাৰিলে।

বিদায় লোৱাৰ পৰতে, হনুমানে লৱ-কুশক আশীৰ্বাদ কৰিলে আৰু ক'লে, "আমাৰ অতিকৈ মৰমৰ লৱ-কুশ! তোমালোকে এই সুপ্ৰতিষ্ঠিত ৰঘুবংশক সুচাৰুৰূপে ৰক্ষা কৰিবা, এই ৰঘুবংশৰ মহান ঐতিহ্যক মলিয়ন হ'বলৈ নিদিবা, আৰু ৰঘুবংশ-শাসিত পালিত এই সুমহান দেশক আন্তৰিকতাৰে লালন-পালন কৰি সুসমৃদ্ধ কৰি তুলিবা—এয়ে হ'ল আমাৰ হৃদয়ৰপৰা উৎসাৰিত পৰম আশীৰ্বাদ। তোমালোকে দীৰ্ঘায়ুপ্ৰাপ্ত হৈ তোমালোকৰ আৰব্ধ কৰ্ম সম্পাদন কৰি ৰঘুবংশৰ সুনাম



স্বৰ্ণাক্ষৰেৰে জিলিকাই থাকিবা—এয়ে হ'ল আমাৰ প্ৰাণৰ অভিলাষ।" তাৰ পাছত হনুমানে তাত একত্ৰিত হোৱা প্ৰজাবৰ্গক সম্বোধি ক'লে, "তোমালোকে—হে আমাৰ দেশবাসী—তোমালোকে ৰাম-সেনাৰূপে একত্ৰিত ঐক্যবদ্ধ হৈ থাকিলে ত্ৰিজগতৰ কোনো অপশক্তিয়েই তোমালোকৰ সামান্যতম অনিষ্টও কৰিব নোৱাৰিব, এই কথা ধ্ৰুৱ বুলি জানিবা। আৰু জানিবা—ৰামৰাজ্যত সকলোটিয়েই লৱ-কুশ।"

প্ৰজাবৰ্গই হস্ত যোৰ কৰি হনুমানক প্ৰণাম কৰিলে আৰু "বীৰ হনুমানৰ জয় হওক'—ধ্বনিৰে গগন মুখৰিত কৰিলে। আৰু—এই ধ্বনিৰ মাজে দিয়েই হনুমানে আকাশ পথেৰে গন্ধমাদনৰ পৰ্বতলৈ বুলি ৰাওনা কৰিলে।

লৱ-কুশে তেওঁলোকৰ সন্তান-সন্ততিৰে সৈতে ৰামৰাজ্যক দৃঢ়ভিত্তিক ভাবে প্ৰসাৰিত কৰিলে আৰু আপামৰ প্ৰজাৰ মংগল সাধি নিজ নাম স্মৰণীয় কৰিলে।

*

তেতিয়া—হনুমান গন্ধমাদন পৰ্বতত তপস্যাত লীন। তপস্যাত লীন হৈ থাকোঁতে এবাৰ হনুমানৰ তপস্যা ভংগ হৈছিল। তেওঁ চকু মেলি এক অপৰূপ দৃশ্য দেখি বিস্ময় মানিলে। পৰ্বতৰাজি আগতকৈ চাপৰ হৈ পৰিছিল, বৃক্ষৰাজিও চুটি হৈ পৰিছিল। সপ্তৰ্ষিমণ্ডল যেতিয়া ধ্ৰুৱনক্ষত্ৰৰপৰা আঁতৰি গৈছিল, হনুমানে বিস্মিত নেত্ৰেৰে এইবোৰ অপৰিচিত দৃশ্যলৈ চাই থাকোঁতে ত্ৰিকালজ্ঞ নাৰদমুনি তালৈ আহিল আৰু বিস্ময়াভিভূত হনুমানক কৈ থাকিল, "হে পুণ্যব্ৰতী হনুমান! এয়া দ্বাপৰ যুগৰ আৰম্ভ হৈছে। দ্বাপৰ যুগৰ চতুৰ্থ পাদত তুমি শ্ৰীৰামচন্দ্ৰৰ দৰ্শন পুনৰ লভিবা।" এই কথা কৈ নাৰদমুনি অন্তৰ্হিত হ'ল।

হনুমান পুনৰ তপস্যাত লীন হ'ল।

এক অন্য জগত

বহুকালৰ আগতে কেৰল ৰাজ্যৰ সাগৰ-তীৰৰপৰা কিছু নিলগত চাবিওফালে সাগৰৰ পানীৰে পৰিবেষ্টিত এটি সমুদ্ৰিক দ্বীপ আছিল। এই দ্বীপটো আছিল প্ৰায় গছ-বন নোহোৱা ৰুক্ষ শিলাময় দ্বীপ। শিলাময়তাৰ কাৰণে সেই দ্বীপত খেতি-বাতি প্ৰায় নহৈছিল, আৰু দ্বীপৰ অধিবাসীৰ জীৱিকা আছিল মাছ ধৰা।

এই দ্বীপৰ এজন বুঢ়া মাছমৰীয়াৰ আছিল ভালেমান ল'ৰা। ল'ৰাবিলাকে মাছ-ধৰাৰ আৰু বেচাৰ কামত বুঢ়া দেউতাকক সহায় নকৰা নহয়, কৰে। কিন্তু — বুঢ়াৰ সৰু ল'ৰাটোক লৈহে গণ্ডগোল। সি — তাৰ ভয়েকহঁতে বা দেউতাকে সাগৰৰপৰা ধৰি অনা মাছবোৰৰ মাজত যিবোৰ নমবাকৈ জীয়াই থাকে, সেই মাছবোৰক ৰাছি উলিয়াই পুনৰ সাগৰৰ পানীলৈ এৰি দিয়ে।

তাৰ এনে অস্বাভাৱিক চৰিত্ৰৰ ফলত সি মাছমৰীয়াও নহ'ল; আন কোনো কাম-বনো নকৰা হ'ল. তাক কোৱা হ'ল —'কামৰ কুৰীয়া খাবৰ যম'।

তাৰ নামটেও আছিল তেনেকুৱাই। নাম তাৰ 'নিকাম'। আনবিলাকৰ নাম— সকাম, বিকাম, ৰিকাম, চুকাম। আৰু— সিহঁতৰ দেউতাকৰ নাম—ফকাম।

ডাঙৰ হৈ সি নিকামে ঘণ্টাৰ পাছত ঘণ্টা সাগৰৰ বুকুত সাঁতোৰে। সাঁতুৰি থাকোঁতে কেতিয়াবা কেতিয়াৰা ডুব মাৰি সাগৰৰ বহুখিনি গভীৰলৈ গৈছিল আৰু সাগৰৰ গভীৰত থকা কত যে ৰং-বিৰঙী মাছ-কাছ আৰু অন্যান্য সামুদ্ৰিক জীৱ-

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

জন্তু, আৰু—কত যে ধৰণৰ-বৰণৰ সামুদ্ৰিক গছ-বন-শেলুৰৈ-শামুক চাই আহিছিল—তাৰ সীম-সংখ্যাই নাই।

যিদিনা সাগৰৰ গভীৰলৈ গৈছিল, সেই দিন সি তাৰ ককায়েকহঁতক আৰু দেউতাকক কিমান যে গল্প কৰিছিল। সি কত কথা যে কয়। সাগৰতলৰ গছ-বন মাছ-কাছ জীৱ জন্তুৰ কথাৰ তো কথায়েই নাই—সি সাগৰৰ তলত হেনো ডুবি থকা জাহাজ দেখে, আনকি পাহাৰ-পৰ্বতো হেনো দেখা পায় সি। শুনি বুঢ়া দেউতাকে বিস্ময়ত তৰধ মানে, ককায়েকহঁতে বিশ্বাস-অবিশ্বাসৰ দোলনত দোলে: হয়নে ঔ? হয়নে? সাগৰৰ পানীতো হেনো আকাশৰ তৰাৰ দৰে 'তৰা মাছ' আছে, সেই মাছৰপৰা হেনো আকাশৰ 'তৰা'ৰ দৰে পোহৰ ওলায়, কাচৰ দৰে পৰিষ্কাৰ—পেটৰ ভিতৰত কি আছে কি নাই সকলো মনিব পৰা মাছ যে কিমান! শিঙাল জন্তুৰ দৰে হেনো দুশিঙীয়া-চাৰিশিঙীয়া মাছও আছে। আৰু যে বিৰাট বিৰাট জন্তু!

দিন যোৱাৰ লগে লগে নিকামৰ এইবোৰ-এনেবোৰ কথা দহোকুৰি ৰাইজে, আৰু আনকি দেশৰ ৰজায়ো জানিলে। তেতিয়া তাৰ 'নিকাম নাম গুচি তাৰ নাম হৈ পৰিছিল, 'মৎসমানৱ'। মাছ-কাছ বা সাগৰতলীৰ অন্যান্য জীৱ-জন্তুৰ সৈতেও হেনো তাৰ মিতিৰালি!

শুনি শুনি যেতিয়া কাণ ঘোলা হ'বৰ হ'ল—তেতিয়া দেশৰ ৰজাই মোচত তাও দি দি ভূৰু কোঁচাই ভাবিলে: হয়নে? ই-ও হব পাৰেনে?—তাক মতাই আনা যাওক। ৰজাই মন কৰিলে নকৰিব পৰা একো নাই। চকুৰ পচাৰতে 'মৎস্যমানৱ' নিকামক মানুহ পঠিয়াই লৈ আহিল আৰু তেওঁ পোনছাটে সুধিলে, "শুনিলোঁ—তুমি বোলে সাগৰৰ একেবাৰে তলীলৈ যাব পাৰা—আৰু সাগৰৰ জীৱ-জন্তু মাছ

কাছবিলাকৰ সৈতে তুমি বোলে মিতিৰালি পতালা—কথানো কি? এইবোৰ সঁচানে বাৰু? তোমাৰমান সাহিয়াল বোলে ক'তো কোনো নাই —?"

"আনৰ কথা মই কেনেকৈ কওঁ, মহাৰাজ? জগতখন—শুনিছোঁ মস্ত ডাঙৰ। গতিকে—"

ৰজাই হাত দাঙি নিকামক ৰখাই ক'লে, "মই যদি তোমাৰ সহায় আৰু ক্ষমতাৰ কিছু কিঞ্চিত পৰীক্ষা লওঁ—কিবা টান পাবানে?"

ৰজাৰ প্ৰশ্নৰ উত্তৰত নিকামে ক'লে, "নাপাওঁ টান, লওক পৰীক্ষা!"

ৰজা আৰু তেওঁৰ পাত্ৰ-মিত্ৰই মৎস্যমানৰ নিকামক লৈ সাগৰতীৰলৈ গ'ল। ৰাজকুঁৱৰী নীলিমকো ৰজাই লগত লৈ গৈছিল।

ৰজাৰ আদেশ মতে নিকামে সাগৰৰ গভীৰ পানীত ডুব দিলে আৰু অলপ সময়ৰ পাছত—সাগৰতলত থকা পোৱাল দ্বীপৰপৰা এডোখৰ পোৱাল ভাঙি লৈ পুনৰ ওপৰলৈ উঠি আহিল, পোৱাল-মণিখিনি নিকামে ৰাজকুঁৱৰী নীলিমলৈ উপহাৰ হিচাপে দিলে।

ৰজাই এইবাৰ নিকামক ক'লে, "তোমাক যদি—আৰু টান কাম কৰিবলৈ কওঁ—? কৰিবা?"

"পাৰিলে নিশ্চয় কৰিম, মহাৰাজ।" নিকামে নিষ্কম্পভাৱে ক'লে।

"আমাৰ দ্বীপৰ চাৰিওফালে থকা সাগৰৰ বিশেষত্ব কি—ডুব দি চাই আহি মোক ক'ব লাগিব।"

ৰজাৰ কথাৰ উত্তৰত অযথা কালক্ষেপ নকৰি নিকামে পুনৰ সাগৰৰ গভীৰলৈ ডুব দিলে আৰু প্ৰায় তিনি মাহৰ পাছত সাগৰৰপৰা ওলাই আহি ৰজাক ক'লে, "মহাৰাজ! আমাৰ এই দ্বীপৰ তলত তিনিটা ডাঙৰ ডাঙৰ পৰ্বত আছে। কিন্তু এটা অতি বিপদজনক আৰু সেই পৰ্বতটো

বিনষ্ট হ'ব যেন লাগিছে।"

"অৰ্থাৎ—?" ৰজাই ভুৰু কোঁচালে।

"অৰ্থাৎ—সেই পৰ্বতটোৰ তলৰফালে বিৰাট জুই জ্বলি আছে। সেই পৰ্বতটোৰ ওচৰে-পাঁজৰে কোনো মাছ-কাছ জীৱ-জন্তুও নাই, মহাৰাজ!"

ৰজাই সুধিলে, "সাগৰৰ পানীত তলত—জুই? কি কোৱা!"

"মহাৰাজ! সেয়া সাধাৰণ জুই নহয়। ইয়াকে বোলে—বাড়বাগ্নি। এই অগ্নি নুমাব নোৱাৰি।" নিকামে ক'লে।

"হয়, বাড়বাগ্নিৰ নাম শুনিছোঁ। কিন্তু—তাৰে আমাৰ ক্ষতিনো কি?"

ৰজাৰ কথাৰ উত্তৰত নিকামে ক'লে, "মহাৰাজ! এই ভয়াবহ অগ্নিয়ে সেই পৰ্বতৰ এভাগ ইতিমধ্যেই খহালে। মোৰ ধাৰণা, নিকট ভৱিষ্যতত এই দ্বীপৰো কিবা ধৰণৰ অনিষ্ট হ'ব সেই পৰ্বতাগ্নিৰে।"

ৰজাই নিকামৰ কথাত গুৰুত্ব প্ৰদান কৰি সেই দ্বীপৰ অধিবাসীসকলক তাৰপৰা স্থানান্তৰ কৰাৰ আদেশ দিলে আৰু ৰাজকীয় কৰ্মচাৰীসকলে সেই আদেশ অনতিপলমে পালন কৰাৰ কিছুদিনৰ অন্তত এদিন সাগৰতলৰ সেই পৰ্বতাগ্নি উদ্গীৰিত হৈ যি প্ৰচণ্ডতম ভূমিকম্পৰ সৃষ্টি কৰিলে, তাৰে একেদিনাই সেই শিলাময় দ্বীপটো খণ্ড-বিখণ্ড হৈ নিশ্চিহ্ন হৈ গ'ল।

তেতিয়া ৰজাই 'মৎস্যমানৱ' নিকামক ক'লে, "তোমাৰ অকল্পনীয় সাহস আৰু বুদ্ধিমত্তাৰ গুণত আমাৰ হাজাৰ হাজাৰ প্ৰজাৰ প্ৰাণৰক্ষা হ'ল। তোমাক কি পুৰস্কাৰ লাগে খুজি লোৱা।"

নিকামে ৰাজকুঁৱৰী নীলিমলৈ চালে, কিন্তু মুখেৰে একো নক'লে। মৎস্যমানৱ নিকামৰ নীৰৱ ভাষা ৰজাই সঠিকভাৱে উপলব্ধি কৰিলে আৰু ৰাজকুঁৱৰীৰ নীলিমৰ সৈতে নিকামৰ গ্ৰন্থি বন্ধন কৰি নিকামৰ ৰাজ্যাভিষেকো সম্পন্ন কৰিলে।

ফটা কেঁথাৰ সোণ

মালতীয়ে ফুলনিত ফুল বুটবিলৈ ধৰোঁতেই হঠাৎ লুটিয়াৰ এটাই যেতিয়া পাতাল ফালি ওলোৱাদি ওলাল আৰু মালতীক ক'লে, "তোমাৰ গাত থকা গহনাখিনি দিয়া, নহ'লে দেখিছাই— ভেগাৰেৰে এতিয়াই তোমাক খতম কৰিম।"

মালতীৰ ডিঙিত আছিল সোণৰ হাৰ' কাণত কাণফুল, আৰু হাতত খাৰু। যদি লুটিয়াৰটোক এইবোৰ দিয়ে — আৰু জীৱনতো গঢ়াব নোৱাৰিম, যদি নিদিয়ে —প্ৰাণ যাব। এইবোৰ ভাবি থকাতেই ক'ৰবাৰপৰা যুৱক এজন তালৈ দৌৰি আহিল আৰু লুটিয়াৰটোক আক্ৰমণ কৰি তাৰ পিঠিত বাবৰি ফুল বাছিলে আৰু এনেকৈ অভাৱবিতভাবে আক্ৰান্ত হৈ সেই ভয়ংকৰ লুটিয়াৰটো পলাল।

মালতীয়ে যুৱকৰ সাহসৰ শলাগ ল'লে আৰু তাইক ৰক্ষা কৰাৰ বাবে অপাৰ কৃতজ্ঞতা প্ৰকাশ কৰিলে।

যুৱকে ক'লে, "মোৰ নাম মদন। মোৰ দেউতা বুঢ়া হ'ল। তেওঁ মোক ঘৰতে থাকি বাঢ়ৈৰ কাম কৰি থাকিবলৈ কয়। কিন্তু মই অন্য নানান কাম কৰিব পাৰোঁ আৰু তাৰে ধন অৰ্জিব পাৰোঁ। সেইহে মই ঘৰত সোমাই নাথাকি — বাহিৰত কাম-ধান্দা কৰি থাকোঁ, যদিও বুঢ়া দেউতাক চোৱা-চিন্তা ঠিকমতেই কৰোঁ।"

"মোৰ নাম মালতী। মোৰো ঘৰত কেৱল দেউতাহে আছে, আন কোনো নাই। আমাৰ দেউতাক ধন লাগে। মই বিভিন্ন বস্তু ঘৰতে বনাই বেঁচো, ফুলমালাও বেচোঁ মই। দেউতাই ভালকৈ খোজও

কাঢ়িব নোৱাৰে, গতিকে—সকলো কামেই মই কৰিবলগাত পৰোঁ। এটা কথা ভাবি মই অতি হতাশ হওঁ যে—দেউতা এদিন-নহয় এদিন তো ঢুকাবই — তেতিয়া মোৰ কি হ'ব? কিন্তু এইবোৰ কথা বোধকৰোঁ দেউতাই একোৰেই নাভাবে, আৰু সেইহে — মোক পাত্ৰস্থ কৰাৰ বিষয়েও তেওঁ একোৰেই নকয়।—আপুনি আজি মোক ৰক্ষা নকৰিলে লুটিয়াৰটোৱে মোৰ গাত থকা গহনাকেপদ কাঢ়ি লৈ গ'লহেঁতেন. আৰু তাৰ কাৰণে দেউতাই মোকেই গালিৰে তেভূত কৰিলেহেঁতেন।"

মদনে মালতীৰ দুখৰ কথা শুনি পমিল। তথাপি ক'লে "চোৱাঁ, পিতা হ'ল ভগৱানৰ সমান। গতিকে পিতাৰ কথাত নিন্দা-মন্দ—মোৰ ৰৰ অপছন্দ আৰু— তোমাৰ দেউতাৰাই তোমাৰ বিয়াখন নপতাকৈ নাথাকে। লাগিলে—ময়েই তোমাক বিয়া কৰাব পাৰোঁ।"

"শুনক, আপোনাৰ এই প্ৰস্তাৱ৲ বাবে ধন্যবাদ জনাইছোঁ। কিন্তু স্পষ্টকৈয়েই কৈছোঁ, আপোনাৰ এই প্ৰস্তাৱত মোৰ সামান্য সন্মতিও নাই।" এই বুলি কৈয়েই মালতী গুচি গ'ল।

এই ঘটনাৰ পাছৰপৰা প্ৰায় প্ৰতি দিনেই মদন মালতীহঁতৰ গাঁৱলৈ অহা হ'ল—মালতীকলগ পোৱাৰ আশাৰে। মালতীয়ে পাত্তা নিদিয়া সত্বেও মদনে মনে মনে মালতীক ভাল পায়, আৰু তাইক বাটে-পথে পালেই কুশল-বাতৰি সোধে, তাই হাতেৰে ঢুকি নোপোৱা ঠালৰপৰা ফুল বুটলি দিয়ে, ইটো-সিটো উপহাৰো দিয়ে। কিন্তু তথাপি মালতীয়ে মদনৰ প্ৰেমত 'হয়' কৰা নাই।

কেতিয়াবা কেতিয়াবা বুঢ়ী এগৰাকীও মালতীৰ লগত ফুল বুটলিবলৈ আহে। কেইদিনমানতেই বুঢ়ীয়ে মদন-মালতীৰ সাৰ কথা বুজিলে আৰু এদিন মদনক বুঢ়ীয়ে ক'লে, "বোপা, তুমি তাইৰ পিছে



পিছে অবাবতে টহলি ফুৰিছা যে কিয়—মই বুজা নাই। তাইৰ মনত তোমাৰ প্ৰতি একেবাৰেই একো নাই।

"আইতা, জানিছাই যদি —বুজি পাইছাই যদি—এই গু-জীৱন সাৰ্থক কৰোঁ কেনেকৈ কেৱাচোন আইতা?"

মদনৰ কথাত বুঢ়ীয়ে ক'লে, "কাম এটা কৰা।—শুনা, দয়াৰপৰাও মৰম—মানে সেই কি বোলেনে—পেৰেম ওপজে। গতিকে — তোমাৰ ওপৰত তাইৰ দয়া হ'ব এনেকুৱা কিবা এটা কৰি চাব পাৰা।"

বুঢ়ীৰ কথাটো মদনে দলিয়াই নেপেলালে। পাছদিনাই এজোপা ওখ ফুলগছত উঠিল আৰু সেই গছৰপৰা ইচ্ছা কৰিয়েই তললৈ বাগৰি পৰিল। সি ঘাইল হ'ল। মালতীয়ে মদনক ককৰ্থনাহে কৰিলে। ক'লে তাই, "গছ বগাব নোৱাৰা যদি—বগাইছিলা কিয়?"

এই ঘটনাৰ কিছুদিনৰ পাছত এজোপা ফুল গছৰ আঁৰৰপৰা সাপ এটা ওলাল আৰু সাপটোৱে মালতীক খুটিবলৈ ফেঁট মেলোঁতেই মদনে খপ কৰে সাপটোৰ নেগুৰত ধৰি পকাই দিলে। তেতিয়া সাপটোৱে মালতীক এৰি দি মদনক সজোৰে খুটিলে।

মালতীয়ে দৌৰি বেজক মাতি ননাহেঁতেন মদন নিশ্চয় মৰিলহেঁতেন।

বুঢ়ী আইতাকে মালতীক একাষৰীয়াকৈ মাতি নিলে আৰু ক'লে. "ল'ৰাটো ভালেই। স্বভাৱ-চৰিত্ৰত তো ভালেই, দেখাতো ভাল। সি তোমাক পাবলৈ বিচাৰে। নহ'লে—নিজৰ জীৱন দি-ও তোমাক সাপে খোটাৰপৰা ৰক্ষা কৰেনে? তাক বিয়া কৰাই সুখী হোৱা, আই!"

"কিন্তু মোৰ মনত তো তেনেকুৱা একো দুৰ্বলতা নাই — তাৰ প্ৰতি!" মালতীয়ে ক'লে।

"তাৰ কাৰণনো কি?" বুঢ়ীয়ে সুধিলে।

"মোৰ দেউতাৰ কথা ভাবা,—তেওঁ

মোৰদ্বাৰাই সকলোবিধৰ কামেই কৰাব। মই যে এজনী ছোৱালী—সেই কথালৈ তেওঁৰ কোনো মন-কাণেই নাই। আৰু—মৰ্দনৰ দেউতাৰাৰ কথা হ'ল যে—মদন ঘৰতে সোমাই থাকিব লাগে, বাঢ়ৈৰ কাম কৰিব লাগে। কিন্তু মদনে তাৰ দেউতাৰ কথা অমান্য কৰি টলৌ টলৌকৈ টাংগুটি বাই ফুৰে। এনেকুৱা মানুহ এজনক জীৱনলগৰী কৰি লওঁনো কেনেকৈ?"

বুঢ়ীয়ে হাঁহিলে আৰু ক'লে, "তুমি অকাৰণেই তোমাৰ দেউতাৰাৰ ওপৰত খং কৰিছা। তেওঁৰ যিখিনি আছে—তোমাৰ কাৰণেই আছে; তুমিও যিখিনি আৰ্জিছা—সিখিনিও তোমাৰেই। তোমাৰ দেউতাৰা বুঢ়া হ'ল, কাম কৰি পেট প্ৰৱৰ্তাব নোৱৰা হ'ল। এতিয়া, তোমাৰ দেউতাৰাৰ দৰে তুমিও যদি এনেয়ে বহি থাকা, তেনেহ'লে তোমাৰ দেউতাৰাৰ সাঁচি-ধন পঁচি যোৱালৈ কিমান দিননো লাগিব? আচলতে—তোমাক ভালকৈ পাত্ৰস্থ কৰাৰ কাৰণেই তোমাক তেওঁ কিছু কিছু কাম কৰিবলৈ কয়, কথা আন একো নহয়।"

"ঠিক আছে, তোমাৰ কথা সঁচা বুলিয়েই মানি ল'লোঁ। কিন্তু মোৰ নিচিনা দুখীয়াক মদনে বিয়া কৰায় যদি—মদনৰ দেউতাৰাক অনাৱশ্যকভাৱে দুখ দিয়া নহ'ব জানো?" মালতীয়ে সুধিলে।

পাছদিনা বুঢ়ীয়ে মদনক কথাখিনি ক'লে। তাৰ পাছত মদন মালতীৰ কাষ চাপিল আৰু ক'লে, "মালতী, তুমি এটা কাম কৰা। তুমি মোৰ দেউতাৰ সৈতে কথা পাতি চোৱা, তেতিয়া কিজানি তোমাৰ মনৰ সন্দেহ গুচিব।"

মালতীয়ে কেইমুহূৰ্তমান ভাবি লৈ ক'লে, "ঠিক আছে, মই আপোনাৰ দেউতাৰাৰ ওচৰলৈ যাম। কিন্তু এটা যাম। কিন্তু এটা চৰ্ত্ত। মই যিদিনা তালৈ যাম—আপুনি ঘৰত, বা সেই

গাঁৰতো নাথাকিব।— মঞ্জুৰ ?”

মদনে মালতীৰ চৰ্ত মানি ল’লে।

বিভিন্ন বস্তু—আনকি আতৰ বেচিবলৈকো তাই ওলায়। আজিও তাই ওলাল। আৰু গৈ গৈ মদনহঁতৰ ঘৰ পালেগৈ, তাই তাইৰ লগত বুঢ়ীজনীকো লৈ গৈছিল।

মালতীয়ে মদনহঁতৰ ঘৰ-দুৱাৰ দেখি প্ৰায় ভেবা-চেকা খালে। এই ঘৰটোক প্ৰায় ৰাজপ্ৰাসাদ বুলিব পাৰি। চকি এখনত সুবেশ-সুদৃশ্য বুঢ়া মানুহ এজন বহি আছিল। মালতীয়ে তাই তালৈ লৈ যোৱা আতৰৰ বিশিষ্টতা বুজাই কোৱাৰ অন্তত বুঢ়া মানুহজনক সুধিলে, “ঘৰত আন কোনো নাইনে ?”

বুঢ়া মানুহজনে শুকান হাঁহিৰে ক’লে, “আছে—। মোৰ একমাত্ৰ পুত্ৰটি আছে, যদিও সি কিবা কামলৈ ওলাইছে। তাৰ নাম মদন। বৰ ছটবটীয়া সি। কেৱল—টলৌ টলৌকৈ ঘূৰি ফুৰে। মই তাক ঘূৰি ফুৰিবলৈ হাক দিওঁ; নুশুনেই সি। মই তাক বাটৈৰ কাম কৰিবলৈ কওঁ ঘৰত থাকি। সি মোক পৰোৱাই নকৰে।

বুঢ়ীয়ে কৈ উঠিল, “আপুনি বিৰাট ধনী মানুহ। আপোনাৰ ল’ৰাই কিয়নো বাটৈৰ কাম কৰি থাকিব ? সি শুই-বহি খালেও দেখোন ধন শেষেই নহ’ব।”



বুঢ়ীৰ কথাত ব্যংগমিহলা হাঁহিৰে মানুহজনে ক’লে, “বাঃ! বাঃ! আপুনি বে’ছ কথা কৈছে, বঢ়িয়া কথাকে কৈছে। ময়ো তেনেকুৱাই আছিলোঁ। যৌবনকালত তাৰ পাছত—যেতিয়া নাখাই মৰাৰ ওচৰ পাইছিলোঁগৈ—তেতিয়াহে সম্বিৎ ঘূৰাই পাই—কথমপি অ প মৃ ত্যু ৰ প ৰা আৰু উপৰিপুৰুষৰ সকলোখিনি সা-সম্পত্তি ধ্বংসৰপৰা—ৰক্ষা কৰিব পাৰিলোঁ। মই এই ঘৰটো বনোৱা মাত্ৰ পাঁচ-ছয় বছৰহে হ’ল। ইয়াৰ আগতে জুপুৰি এটাতে আছিলোঁ। এতিয়া কথা হ’ল—সি মদনেও যদি মোৰ দৰে একেই ভুল কৰা

হয়—তেনেহ'লে আকৌ তেনেকুৱাই নহ'বনে ? গতিকে সি আমাৰ পূৰ্বপুৰুষৰ কাম কৰা উচিত বুলিয়েই মই ভাবোঁ।"

"আপোনাৰ মদন আমাৰ গাঁৱলৈ যায়। তাৰ বেশ-ভূষা অতি দুখীয়াৰ দৰে। কিয় এই বলিয়ালি কৰে সি ?"

এই কথাত বুঢ়াই হো হো কৰে হাঁহি উঠিল আৰু কৈ থাকিল, "বলিয়ালি-তলিয়ালি একোৱেই নহয় এইবোৰ। মই নিজেই তাক তেনেকুৱা পোছাক-পাতি পিন্ধি ওলাবলৈ কওঁ। সকলোৱেপৰাই যদি হাৰামৰ আৰাম কৰা হয়, তেনেহ'লে ডাঙৰ হৈ মোৰ দৰেই ফান্দত পৰা অৱস্থা তাৰো নহ'বনে ? সি যে ফটং-গিৰীটো নহৈ ফটা কেঁথাৰ সোণ হব'লৈ চেষ্টা কৰিছে —মই ভাবোঁ তাৰ পক্ষে ভাল হৈছে।"

এইব্যৰ মালতীয়ে তাইৰ আতৰখিনি তেওঁক দেখুৱাত তেওঁ তাইৰপৰা আটাই-খিনিয়েই কিনি ল'লে, "তোমাৰ ভাগ্য ভাল আই—যে তুমি মদনটো নথকাতে আমাৰ ঘৰলৈ আহিলা। সি ঘৰত থকাহেঁতেন কিনিবলৈ নিদিলেহেঁতেন।"

মালতী আৰু বুঢ়ী-আইতাক উভতি আহিল। বাটত মদনৰ লগতে দেখাদেখি। মালতীয়ে মিচিকীয়াই হাঁহি মাৰি মদনক ক'লে, "গৈছিলোঁ মই। পাতিলোঁ কথা।"

"ময়ো গৈছিলোঁ।

মালতীয়ে বিস্মিত হৈ মদনলৈ চালে আৰু সুধিলে, "ক'ত গৈছিলা !"

"তোমাৰ দেউতাৰাৰ ওচৰলৈ।—কথা পাতিলোঁ। তেওঁ এককথাত ৰাজী।" মদনে মুচুককৈ হাঁহি ক'লে।

ইতিমধ্যে বুঢ়ী-আইতাক আঁতৰি গৈছিলেই। মালতীয়ে মদনলৈ ঘোপাকৈ চাই পাছ মুহূৰ্ততে ঘৰলৈ বুলি খোজ ল'লে। আৰু — মালতীৰ মহৰিৰ ম'হ মদনো প্ৰভুভক্তই যোৱাদি তাইৰ পিছে পিছে গৈ থাকিল।

বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য

প্ৰকৃত গীত গোৱা চৰাই—ওৰৰ্বল!

তামিলনাডুৰ মুনদানথুৰাই অভয়াৰণ্য বিভিন্ন কাৰণত অতি আকৰ্ষণীয় অভয়াৰণ্যত পৰিণত হৈছে। প্ৰথম কাৰণ—বাঘ। তামিলনাডুৰ আন কতো-কেনিও বাঘ নাই। কিন্তু—পক্ষী-প্ৰেমীসকলৰ কাৰণে এইখন অভয়াৰণ্যৰ দুৰ্বাৰ আকৰ্ষণৰ হেতু আন। পৃথিৱীৰ অন্যতম বিৰল তথা কঁপা কঁপা সুৰেৰে প্ৰকৃততেই গীত গোৱা চৰাই—'ওৰৰ্বল' চৰাই। ওৰৰ্বল চৰাইৰো বিধোবিধ প্ৰজাতি আছে আৰু ইয়ালৈ আহে। মধুসূদন কাট্টি নামৰ আমেৰিকাৰ ক্যালিফ'ৰ্নিয়া বিশ্ববিদ্যালয়ৰ পক্ষী-গৱেষকৰ মতে: ইয়ালৈ এই বিৰলপক্ষীৰ আগমন তথা বসতি স্থাপনৰ কাৰণ অনুসন্ধান কৰিবলগীয়া। লগতে এই বাতৰিও পোৱা গৈছে যে—মাদ্ৰাজ নগৰীৰপৰা ৮৫ কিলোমিটাৰ দূৰৰ বেদানথংগল জলাভূমিতো সুদূৰ ছাইবেৰিয়াৰপৰা উৰি অহা—খুকুৰা চৰাই, বগলী, ইগ্ৰেট-বগলী, দীঘলঠুঁটীয়া সাৰেং, ৰাবৰবণীয়া সাৰেং হাঁহ আদিও জাকে জাকে আহিছে।

আত্মঘাতী তিমি!



বিজ্ঞানীবৰ্গ বিভ্ৰান্ত: কিয়নো ইমানবোৰ তিমিয়ে আত্মহত্যা কৰিছে? সিঁহতে সাগৰ-মহাসাগৰত নথকাৰ কোনো হেতু বিজ্ঞানী-সকলে বিচাৰি পোৱা নাই। যোৱা নভেমবাৰ মাহৰ ন তাৰিখৰ দিনা নিউজিল্যাণ্ডৰ সাগৰ-তীৰত ৯৯টা প্ৰকাণ্ড আকাৰৰ তিমি শুকান বালিত উঠি আহি আত্মঘাতী হ'ব ধৰিছিল, যি বিলাকৰ মাজত ৫৬ টাক পুনৰ সাগৰৰ পানীলৈ নমাই দিয়া হৈছিল। কিন্তু ৪৩ টাক নমোৱা নগ'ল। ঘাইকৈ—ঠেলি নমাবপৰা স্বেচ্ছাসেৱী মানুহৰ অভাৱতে সিঁহতকেইটা মৰিল!

পক্ষী-পিয়ল!

ছুটীৰ দিনত আন কোনো কাম নকৰি ঘৰৰ চোতালত, বা বাগিচাত, বা ফুলনিত, বা চালত পৰা পক্ষী-গণনা কৰিব পাৰিবনে? এ ঘণ্টা-দু-ঘণ্টাৰ পাছত—প্ৰায় অ'ন্তৰ যেনেই লাগিব। কিন্তু যোৱা বছৰৰ নভেমবাৰৰ ২৪ তাৰিখে সমগ্ৰ দেশৰ প্ৰায় ৫ ০০ মানুহক এই কাম কৰিবলৈ দিয়া হৈছিল—পক্ষী-পিয়ল। তেওঁলোকক এখন তালিকাত ১৭০ বিধৰ সাধাৰণতে পৰিদৃষ্ট চৰাইৰ নাম দিয়া হৈছিল। দেশব্যাপী এই পক্ষী-পিয়ল ভাৰতৰ উল্লেখযোগ্য পক্ষী-বিশাৰদ ড. ছলিম আলীৰ সোঁৱৰণত অনুষ্ঠিত হৈছিল। তেওঁৰ জন্ম তাৰিখ হ'ল নভেমবৰৰ ১২।


Say "Hello" to text books and friends
'Cause School days are here again
Have a great year and all the best
From Wobbit, Coon and the rest!



SUPER RUBBER
It's time to go back to school again. Time for text books. Time for games. Time to meet old friends. And make new ones. Time to start studying again. Because there's so much to learn about the world around you.
From all of us here at Chandamama, have a great year in school. And remember to tell us what you've learnt everyday, when you come home from school !
THE
HANDAMAMA
OLLECTION
ARTIG1246

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৪ চনৰ জুন সংখ্যাত প্ৰকাশিত হ'ব।



G. Srinivasa Murthy

Purushottam Vagga

- ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯৪ চনৰ এপ্ৰিল মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
- সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)**

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৪ চনৰ ফেব্ৰুৱাৰি মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : দঁতালে দাঙিলে শুঁৰ দ্বিতীয় ফটো : দীঘল ডিঙিয়াই মুৰ

মৰিয়ম বেগম, ছিভিল ৰোড, মৰিগাঁও, অসম।

[পুৰস্কাৰৰ ১০০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

ভাৰতত বছৰেকীয়া বৰঙনি **চান্দমামা** ৪৮.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are the exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী, গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 105.00 ● উৰাজাহাজ-যোগে 252.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 111.00 ● উৰাজাহাজ-যোগে 252.00

আপোনাৰ বৰঙণি বেংক ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ
ছাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

I remember the day we moved into our new home.

The boys and girls on the block looked like they were having `hazaar' fun. But no, they didn't look too interested in me.

How do you walk up to a new gang and make them your pals? Think...Think. So I just chuck a Try-Me in my mouth...walk my best tough-guy-walk and offer them a handful of Try-Me - "Go ahead, Try Me!" Yeah. I made five new best pals that day.

HTA-8507

Parry's

Try-Me!

The Bold New Taste